গুলীচালনাৰে জড়িত ২জন আটক

ই-সংবাদ, কোকৰাঝাৰ, ২৭ নৱেম্বৰঃ কোকৰাঝাৰ জিলাৰ সীমান্তৱৰ্তী ধুবুৰী জিলাৰ বিলাসীপাৰা ৬ পৃষ্ঠাত চাওক



www.newsnextone.com

e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, NOVEMBER 28, 2024 ■ বৃহস্পতিবাৰ, ১২ আঘোণ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ৩২৫ Guwahati, Assam ।। মূল্যঃ এটকা


## ডুমডুমাৰ চুক্ৰেটিঙৰ জঘন্য কাণ্ড পোহৰলৈ

## কিশোৰসহ ৭ লম্পটৰ কামনাৰ বলি কিশোৰী ৬মাহৰ অন্তঃসত্বা

ই-সংবাদ, ডুমডুমা, ২৭ নৱেম্বৰঃ তিনিচুকীয়া জিলাৰ ডুমডুমাত এগৰাকী ১৪ বছৰীয়া নাবালিকাক ৮ নং চুক্ৰেটিং পথাৰ গাঁৱৰ ৭ কিশোৰে দলবদ্ধ ধৰ্ষণ কাণ্ড পোহৰলৈ অহাত চাহ নগৰী ডুমডুমাত এক প্ৰকাৰৰ শেষাংশ ২ পৃষ্ঠাত

## কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা

ই-সংবাদ, গুৱাহাটী-নুমলীগড়, ২৭ নৱেম্বৰঃ ভাৰত চৰকাৰৰ পৰ্যটন মন্ত্ৰালয়ৰ উত্তৰ পূৰ্বাঞ্চলৰ দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা আজিৰে পৰা কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত অনুষ্ঠিত হৈছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা আজি মুখ্যমন্ত্ৰী ডঃ হিমন্ত শেষাংশ ৫ পৃষ্ঠাত

## জয়ন্তৰ পদত্যাগ

ই-সংবাদ, ২৭ নৱেম্বৰঃ বিসম্বাদত জৰ্জৰিত হৈ পৰিছে আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক কমিটী। নকৈ সভাপতিৰ দায়িত্ব লোৱা মনোজ ধানোৱাৰে দলটোক শেষাংশ ৩ পৃষ্ঠাত

### কিশোৰী খেলুৱৈৰ ধৰ্ষণকাৰীক উচিত শাস্তিৰ দাবী ভিন্ন দল-সংগঠনৰ

## শিৱসাগৰ কাণ্ডৰ দুই লম্পটক গ্ৰেপ্তাৰ

ই-সংবাদ, শিৱসাগৰ, ২৭ নৱেম্বৰঃ শিৱসাগৰ জিলাৰ ডিমৌৰ সৰু পালেঙীৰ চিকাৰী ভেঁটীত যোৱা ২২ নৱেম্বৰত সংঘটিত দলবদ্ধ ধৰ্ষণ কাণ্ডৰ দুই অভিযুক্তক বুধবাৰে দুই



পৃথক স্থানৰ পৰা গ্ৰেপ্তাৰ কৰে ডিমৌ আৰক্ষীয়ে। ডিমৌ আৰক্ষী থানাৰ অন্তৰ্গত কচুমাৰীৰ এটা পথ নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ এখন শিল পৰিবাহী শেষাংশ ৩ পৃষ্ঠাত

### ২০খন আসন দাবী, আলেঙে আলেঙে বিজেপিৰ হাঁহি

# কংগ্ৰেছক চৰ্ত দিবলৈ আৰম্ভ অখিলৰ

ই-সংবাদ, ২৭ নৱেম্বৰঃ গছত কঁঠাল ওঁঠত তেল, নৌ খাওঁতেই চেল-বেল। ৰাইজৰ দলৰ অৱস্থাও এতিয়া যেন এনেকুৱাই হৈ পৰিছে অসমৰ ৰাজনীতিত তেনেই শিশু সদৃশ 'ৰাইজৰ দল'ৰ হাতত মাথো এখন আসন আছে। দলটোৰ সভাপতি অখিল গগৈ শেষাংশ ৪ পৃষ্ঠাত

## হাঁহি শেষ! খাওগলিত এতিয়া উচ্ছেদিতৰ কান্দোন

ই-সংবাদ, ২৭ নৱেম্বৰঃ গুৱাহাটী মহানগৰীৰ দীঘলীপুখুৰীপাৰত সৰু সৰু ছাট হাউচ দি ঘৰ চলোৱা থলুৱা ব্যৱসায়ীসকলৰ ওপৰত এইবাৰ নজৰ পৰিছে ৰাজ্য চৰকাৰৰ। উৰণীয়া সেঁতু নিৰ্মাণৰ নামত দীঘলীপুখুৰীৰ গছ-গছনি শেষাংশ ৪ পৃষ্ঠাত



শেষ! খাওগলি পাতিবলৈ হৈছিলনো কেইদিন?

## চলাই আছে যো-জা, নাথাকে চতুৰ্থ বৰ্গ!

ই-সংবাদ, ২৭ নৱেম্বৰঃ ৰাজ্য চৰকাৰে নিবনুৱাক যথাযোগ্য আৰু মৰ্যদাসম্পন্ন সংস্থাপনৰ বৃদ্ধিৰ বাট হ্ৰাস কৰি ইটোৰ পিছত সিটো হঠাকাৰী সিদ্ধান্ত গ্ৰহণ কৰি গৈছে। শেষাংশ ২ পৃষ্ঠাত

## উত্তৰ প্ৰদেশত দুৰ্ঘটনা, ৫ নিহত

আগ্ৰা, ২৭ নৱেম্বৰঃ বিবাহ অনুষ্ঠানৰ পৰা ঘৰলৈ ওভতাৰ পথতে এক ভয়ংকৰ পথ দুৰ্ঘটনাত একেলগে প্ৰাণ গ'ল পাঁচগৰাকীকৈ কনিষ্ঠ চিকিৎসকৰ। বুধবাৰে পুৱাৰ শেষাংশ ৩ পৃষ্ঠাত

## মহাৰাষ্ট্ৰত মুখ্যমন্ত্ৰীৰ পদক লৈ নাটক!

মুম্বাই, ২৭ নৱেম্বৰঃ মহাৰাষ্ট্ৰৰ ৰাজনৈতিক পৰিঘটনাৰ মাজতে মহাবিকাশ আঘাড়ীৰ চৰকাৰৰ পতন ঘটনাই বিজেপিত চামিল হোৱা একনাথ সিন্ধেৰ শেষাংশ ৫ পৃষ্ঠাত

### নৱঘোষিত চিকিনা জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যানত উচ্ছেদ অভিযান

## কোকৰাঝাৰত ১৩১ বেদখলকাৰীক আটক

ই-সংবাদ, কোকৰাঝাৰ, ২৭ নৱেম্বৰঃ ভাৰত-ভুটান সীমান্তৰ বিস্তীৰ্ণ বনভূমি ইতিমধ্যে বেদখলকাৰীৰ



কবলত পৰিছে আৰু উক্ত এলেকাসমূহত বন ধ্বংস হোৱাৰ পিছত এইবাৰ বন ধ্বংস আৰু বেদখলকাৰীৰ গ্ৰাসত পৰিছে নৱঘোষিত চিকিনা জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যান। বন বিভাগৰ চূড়ান্ত অকৰ্মণ্যতা শেষাংশ ২ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...

# কোকৰাঝাৰত ১৩১ বেদখলকাৰীক আটক

আৰু উদাসীনতাৰ পৰিণতিত কোকৰাঝাৰৰ সেউজ বনভূমিৰ বহু অঞ্চলৰ বন ধ্বংস হোৱাৰ পিছত এইবাৰ বন ধ্বংস আৰু বেদখলকাৰীৰ গ্ৰাসত পৰিছে নৱঘোষিত চিকিনা জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যান। বন বিভাগৰ অকৰ্মন্যতা আৰু উদাসীনতাৰ পৰিণতিত কোকৰাঝাৰৰ সেউজ বনভূমিৰ বহু অঞ্চলৰ বন ধ্বংস হোৱাৰ পিছত এতিয়াহে এঙামুৰি দি উঠিছে কোকৰাঝাৰৰ হল্টুগাঁও বন মংমণ্ডল। তাৰেই পৰিণতিত আজি অতি দুখীয়া-দৰিদ্ৰ ১৩১ গৰাকী বনভূমি বেদখলকাৰীক আটক কৰি বাহ বাহ লবৰ চেষ্ঠা কৰিছে বনবিভাগে। কোকৰাঝাৰ জিলাৰ আমগুৰিৰ পৰা ভাৰত-ভুটান সীমান্তলৈ থকা বৃহৎ বনভূমি, শালগছ নিচিহ্ন হৈ যোৱাৰ পিছত যি অৱশিষ্ট বনভুমি উল্টাপানী এলেকাত আছিল সেয়াও ধ্বংসৰ পথত। ইতিমধ্যে উক্ত এলেকাত থকা বৃহৎ বৃহৎ গছবোৰ ৰিং দি গছক মাৰি তাৰপিছত বগৰাই গাড়ীৰে চালান দি বনভূমি তহিলং কৰাৰ পিছত দালালে অতি দৰিদ্ৰ-দুখীয়া-নিচলাক প্ৰলোভনেৰে উক্ত অঞ্চললৈ লৈ আহে। মাটিহীন বা অতি কম মাটি থকা লোকসকলে এটুকুৰা মাটি পোৱাৰ আশাত চিৰাং, বাগছা, অভয়াপুৰী, বঙাইগাওঁ, শোনিতপুৰ, ঢেকিয়াজুলি আদি অঞ্চলৰ পৰা উল্টাপানী বনাঞ্চলত আহি থিতাপি লয়। সম্পূৰ্ণ অনৈতিকভাৱে আহি বন ধ্বংস কৰি অবৈধভাৱে বন ভূমি দখল কৰা উক্ত লোকসকল মাথো এটুকুৰা মাটি পোৱাৰ আশাৰে বহু কষ্টৰে বনাঞ্চলত বসবাস কৰে। বনবিভাগে সময়ে সময়ে তেনে লোকক উচ্ছেদ কৰি বীৰত্ব প্ৰদৰ্শন কৰে যদিও তেনে লোকসকলক বনাঞ্চলত আনি বসতি স্থাপন কৰা দালালসকলৰ বিৰুদ্ধে কিন্তু কোনোধৰণৰ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা দেখা নাযায়। প্ৰতিবাৰে বেদখলকাৰীৰ দা-কোৰ-কুঠাৰ জব্দ কৰি দালাল শ্ৰেণীৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ হুংকাৰ বনবিভাগে দিয়ে যদিও আজিলৈ কোনোধৰণৰ কাৰ্যব্যৱস্থা লোৱা পৰিলক্ষিত হোৱা নাই। এনে এক পৰিস্থিতিৰ মাজত আজি বনবিভাগে কোকৰাঝাৰৰ ভাৰত-ভুটান সীমান্তৱৰ্তী উল্টাপানীৰ চিকিনা জৌহৌলাও (চিকনাঝাৰ) ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চল ধ্বংস কৰি বনভূমি বেদখল কৰা ১৩১ গৰাকী লোকক আৰক্ষীৰ সহযোগত বনবিভাগে আটক কৰিছে। আটকাধীনসকলৰ ভিতৰত ১২ গৰাকী মহিলা আছে। তেওঁলোকৰ পৰা বনবিভাগ আৰু আৰক্ষীয়ে দা-কুঠাৰ আদি জব্দ কৰিছে। আটকাধীন লোকসকলক উল্টাপানী ফৰেষ্ট ৰেঞ্জৰ কাৰ্যালয়ত ৰাখি সোধা-পোছা অব্যাহত ৰাখিছে আৰু দুই এজন বেদখলকাৰীক লাঠীৰে প্ৰহাৰ কৰিছে। ইপিনে হল্টুগাঁও বন সংমণ্ডলৰ বন সাংমণ্ডলিক বিষয়া জয়ন্ত কুমাৰ ব্ৰহ্মই বেদখলকাৰী ১৩১ গৰাকী লোকক আটক কৰাৰ তথ্য সদৰি কৰি ইয়াৰ আঁৰত থকা মূল কালপ্ৰিটক বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰিছে। বনাঞ্চল ধ্বংস কৰি বেদখল কৰা কাৰ্যৰ আঁৰত দালাল চক্ৰ জড়িত আছে বুলি মন্তব্য কৰি বন সাংমণ্ডলিক বিষয়া জয়ন্ত কুমাৰ ব্ৰহ্মই কয় যে ইয়াৰ অন্যথা শোণিতপুৰ, ঢেকীয়াজুলীৰ পৰা বেদখল কৰিবলৈ মানুহ নাহিলহেঁতেন। বন ধ্বংস ৰোধ কৰিবলৈ সম্ভৱপৰ সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰি আটকাধীন ১৩১ গৰাকী বেদখলকাৰীক উল্টাপানী ফৰেষ্ট ৰেঞ্জৰ কাৰ্যালয়ত ৰাখি সোধা-পোছা কৰা হৈছে বুলি সদৰী কৰিছে হল্টুগাঁও বন সংমণ্ডলৰ বন সাংমণ্ডলিক বিষয়া জয়ন্ত কুমাৰ ব্ৰহ্মই। উল্লেখ্য যে, যোৱা ১৫ আগষ্টত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কোকৰাঝাৰ আৰু চিৰাং জিলাৰ বনাঞ্চলক সাঙুৰি চিকিনা জৌহৌলাও ৰাষ্ট্ৰীয় উদ্যান হিচাপে ঘোষণা কৰিছিল। আজিৰ এই ঘটনাই সমগ্ৰ কোকৰাঝাৰ জিলাত যথেষ্ট প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কিশোৰসহ ৭ লম্পটৰ কামনাৰ বলি

জোকাৰণিৰ সৃষ্টি হৈছে। ঘটনাৰ সন্দৰ্ভত প্ৰাপ্ত তথ্য অনুসৰি, প্ৰায় ৬ মাহৰ পূৰ্বেই সংঘটিত হৈছিল এই জঘন্য কাণ্ড। এগৰাকী ষষ্ঠ শ্ৰেণীত অধ্যয়নৰত ছাত্ৰীয়ে সমনীয়াৰ সৈতে খেলি থকা অৱস্থাত ৮ নং চুক্ৰেটিং পথাৰ গাঁৱৰ এজন কিশোৰে কিশোৰীগৰাকীক ফুচুলাই ওচৰৰে এটা বাসগৃহলৈ নি গাঁৱৰে ৬ সতীৰ্থৰ সৈতে কিশোৰীগৰাকীক ধৰ্ষণ কৰে। ঘটনাৰ সময়ত কিশোৰীগৰাকীক চকু আৰু মুখত কাপোৰ বান্ধি লোৱা বুলিও কিশোৰীগৰাকীয়ে আৰক্ষীক জানিবলৈ দিয়ে।এই জঘন্য ঘটনা সংঘটিত হোৱাৰ পাছৰে পৰা কিশোৰীগৰাকীৰ স্বাস্থ্যৰ অৱনতি ঘটাত কিশোৰীগৰাকীৰ মাতৃয়ে কিশোৰীগৰাকীক চিকিৎসাৰ বাবে স্থানীয় চিকিৎসালয়লৈ নিয়ে। স্বাস্থ্য পৰীক্ষাৰ অন্তত কিশোৰীগৰাকী ছমাহৰ অন্তঃসত্বা বুলি চিকিৎসকে জানিবলৈ দিয়ে। এই ঘটনা পোহৰলৈ অহাৰ পাছতে ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াৰ নেতৃত্বত মঙলবাৰে সন্ধিয়া ভুক্তভোগীৰ পৰিয়ালে ডুমডুমা আৰক্ষী থানাত ৭ অভিযুক্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। উক্ত এজাহাৰৰ ভিত্তিত ডুমডুমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মনোৰঞ্জন শইকীয়াৰ নেতৃত্বত তাৎক্ষণিকভাৱে ৮ নং চুক্ৰেটিং পথাৰ গাঁৱৰ পৰা ঘটনাৰ সৈতে জড়িত ৭ অভিযুক্তক আটক কৰা হয়। জেৰাৰ অন্তত ৭ অভিযুক্তৰ বিৰুদ্ধে ভাৰতীয় ন্যায় সংহিতাৰ ২০২/ ২০২৪ ইউ / এছ ৩৭৬ ডিএ / ৫০৬ আৰু পকছ' আইনৰ ৬ নং ধাৰাৰ অধীনত গোচৰ ৰুজু কৰি ৭ অভিযুক্ত কিশোৰক আদালতলৈ প্ৰেৰণ কৰে। ধৰ্ষণকাৰী কেইটা হৈছে ভোলা তাঁতী (১৯), বিকাশ চাহানী আৰু তুলকু লিম্বু। গুৰুত্বপূৰ্ণ কথা এয়ে যে, আটক কৰা ৭ অভিযুক্তৰ ৪ জনেই হৈছে নাবালক। ইফালে, এই জঘন্য ঘটনা সংঘটিত কৰাৰ পাছৰে পৰা ভুক্তভোগীক ঘটনাৰ বিষয়ে পৰিয়ালৰ লোক বা আন কাৰোবাক অৱগত কৰিলে প্ৰাণে মৰাৰ ভাবুকি দিয়াৰ লগতে কিশোৰীগৰাকীৰ ঘৰ জ্বলাই দিয়াৰো ভাবুকি দিছিল অভিযুক্তই। এই ঘটনাই সমগ্ৰ ডুমডুমা অঞ্চল জোকাৰি যোৱাৰ লগতে ৭ অভিযুক্তক কঠোৰ শাস্তিৰ দাবী তুলিছে সকলোৱে। আনহাতে, অভিযুক্তক শীঘ্ৰে আটক কৰাৰ বাবে ডুমডুমা মহিলা সমিতিৰ সভানেত্ৰী ববী বড়াই ডুমডুমা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াগৰাকীৰ লগতে ডুমডুমা আৰক্ষীক ধন্যবাদ জ্ঞাপন কৰে। লগতে দোষীক কঠোৰ শাস্তিৰো দাবী জনাইছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# চলাই আছে যো-জা, নাথাকে চতুৰ্থ বৰ্গ!

এইবাৰ বিদ্যালয়-মহাবিদ্যালয়সমূহৰ চতুৰ্থ বৰ্গৰ চাকৰি বিলুপ্ত কৰিবলৈ পাং পাতিছে ৰাজ্য চৰকাৰে। আজি এই কথা খোদ ঘোষণা কৰিছে স্বয়ং শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে। এতিয়াৰ পৰা ৰাজ্য চৰকাৰে আনুষ্ঠানিকভাৱে বিদ্যালয়-মহাবিদ্যালয়ত নিযুক্তি পত্ৰসহ কৰ্মচাৰী নিয়োগ নকৰে। কৰ্মচাৰী নিয়োগ কৰাৰ দায়িত্ব দিব শিক্ষানুষ্ঠান কৰ্তৃপক্ষক। শিক্ষানুষ্ঠানে নিজাকৈ নিযুক্তি দিয়া এই পদসমূহ স্থায়ী হ'ব নে ঠিকাভিত্তিক হ'ব আৰু দৰমহা-পেন্সন আদি কেনেধৰণৰ হ'ব সেই লৈ এতিয়া প্ৰশ্নৰ উদ্ৰেক ঘটিছে। শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি সাংবাদিকৰ মুখামুখি হৈ কয় যে ৰাজ্যৰ বিদ্যালয় আৰু মহাবিদ্যালয়ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ প্ৰয়োজনীয়তা সুকীয়া সুকীয়া। চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ নিযুক্তি দিয়াৰ দায়িত্ব বিদ্যালয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষক দিয়া হ'ব। তেওঁলোকে নিজাকৈ আউটচৰ্চিং কৰি ল'ব। আমি তেওঁলোকক ধন আগবঢ়াম। মন্ত্ৰী পেগুৰ মতে, অসমত আছে প্ৰায় ৫০ হাজাৰ বিদ্যালয়। যিবিলাক বিদ্যালয় আৰু মহাবিদ্যালয়ত চতুৰ্থ বৰ্গৰ কৰ্মচাৰীৰ প্ৰয়োজন সেইসমূহ শিক্ষানুষ্ঠানত নিজে নিযুক্তি দিব নে চৰকাৰে দিব তাৰ মতামত দিবলৈ বিদ্যালয় আৰু মহাবিদ্যালয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়া হৈছে। আজি শিক্ষামন্ত্ৰী পেগুৱে উচ্চতৰ মাধ্যমিক শিক্ষাৰ্থীৰ বিনামূলীয়া নামভৰ্তিৰ মাচুলৰ ধন ১৮ কোটি টকা মুকলি কৰে। বিদ্যালয়ৰ বেংক একাউন্টলৈ এই ধন হস্তান্তৰ কৰা হয়। ১১৪৫ খন উচ্চতৰ মাধ্যমিকৰ, ২ লাখ ৫০ হাজাৰ শিক্ষাৰ্থীৰ বাবে ১৮ কোটি টকা মোকলাই দিয়া বুলি উল্লেখ কৰিছে। মন্ত্ৰীগৰাকীয়ে শিক্ষা সেতুএপ ব্যৱহাৰ কৰাত আপত্তি কৰা শিক্ষকক উদ্দেশ্যি ফেচবুক, হোৱাটছএপ, ফোন-পে, গুগলপে ব্যৱহাৰ কৰোতে যদি অসুবিধা নাই তেন্তে শিক্ষাসেতু এপ ব্যৱহাৰত অসুবিধা ক'ত বুলি প্ৰশ্ন কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# শিৱসাগৰ কাণ্ডৰ দুই লম্পটক গ্ৰেপ্তাৰ

ডাম্পাৰৰ চালক তথা ধৰ্ষণ কাণ্ডৰ অন্যতম অভিযুক্ত লুথাৰ ওৰফে ভাইটি তপ্নক গ্ৰেপ্তাৰ কৰে আৰক্ষীয়ে। ইফালে আৰক্ষীৰ তদন্তৰ মাজতে আত্মসমৰ্পণৰ বাবে মাৰ্ঘেৰিটা থানাৰ সৈতে যোগাযোগ কৰে ধৰ্ষণ কাণ্ডৰ আন এক অভিযুক্ত সুনীল তপ্নই। বুধবাৰে বিয়লি অভিযুক্ত সুনীল তপ্নই ডিমৌ আৰক্ষী থানাত উপস্থিত হোৱাত আৰক্ষীয়ে সুনীল তপ্নকো গ্ৰেপ্তাৰ কৰে। এই নাৰকীয় দলবদ্ধ ধৰ্ষণকাণ্ডৰ সৈতে পৰোক্ষভাৱে সহযোগিতা আগবঢ়োৱাৰ সন্দেহত ডিমৌ আৰক্ষীয়ে যোচেফ তপ্ন, অজিত চয় আৰু ইজৰাইল টুমাগা নামৰ তিনিজন ব্যক্তিক আটক কৰি জেৰা অব্যাহত ৰাখিছে। অভিযানৰত আৰক্ষীয়ে আটকাধীন অজিত চয়ৰ বাসগৃহৰ পৰা ধৰ্ষণ কাণ্ডৰ দুই অভিযুক্তই পলায়নত ব্যৱহাৰ কৰা এএছ ০৪ এএইছ, ৪৯৭৮ নম্বৰৰ এখন পালছাৰ বাইকো জব্দ কৰিবলৈ সক্ষম হয়। বিয়লি শিৱসাগৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষকে প্ৰেছ বিজ্ঞপ্তিযোগে দুই অভিযুক্তক গ্ৰেপ্তাৰৰ কথা সংবাদ মাধ্যমক জানিবলৈ দিছে। অৱশ্যে অপহৰণত ব্যৱহৃত ৰঙা টাটা মেজিকখনৰ লগতে চালকৰ আসনত মুখত মাস্ক মাৰি থকা তৃতীয় অভিযুক্তৰ বিষয়ে বিজ্ঞপ্তিটোত কোনো কথা সদৰী কৰা নাই আৰক্ষীয়ে। উল্লেখ্য যে ৫৪/ ২০২৪ নম্বৰৰ ডিমৌ আৰক্ষী থানাত পঞ্জীয়নভুক্ত গোচৰটোৰ বিপৰীতে প'কছ' আইনৰ কেইবাটাও ধাৰাত মূল দুই অভিযুক্তক গ্ৰেপ্তাৰৰ তথ্য নিশ্চিত কৰিছে। ইফালে ৰাজ্য জোঁকাৰি যোৱা এই ধৰ্ষণ কাণ্ডৰ তিনি অভিযুক্তক গ্ৰেপ্তাৰৰ দাবীত কেইবাটাও জাতীয় দল সংগঠনে শিৱসাগৰৰ ৰাজপথ উত্তাল কৰি তোলে। অসম ছাত্ৰ যুৱ সন্মিলন, অনুসূচীত জাতি ছাত্ৰ সন্থা, সদৌ কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, উজনি অসম খিলঞ্জীয়া মুছলিম যুৱ পৰিষদৰ বহু সংখ্যক কৰ্মীয়ে নগৰৰ দলমুখ চাৰিআলিত হাতে হাতে প্লেকাৰ্ড লৈ দোষীৰ শাস্তিৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদস্থলীত অসম ছাত্ৰ যুৱ সন্মিলনৰ কেন্দ্ৰীয় সভাপতি জিন্টু মেচে কয় যে এগৰাকী নৰম শ্ৰেণীত অধ্যয়নৰত প্ৰতিভাৱান খেলুৱৈক দিন-দুপৰতেই এখন মেজিক বাহনেৰে অপহৰণ কৰি নি দুই কিলোমিটাৰ নিলগৰ চিকাৰী ভেঁটীৰ ভাইতী তপ্নৰ ঘৰত সংঘটিত কৰা বৰ্বৰ বলাৎকাৰ কাৰ্যৰ লগত জড়িত চক্ৰটোক ডিমৌ আৰক্ষীয়ে ছটা দিন অতিক্ৰম কৰাৰ পিছতো আটক কৰিব নোৱাৰাতো চৰম ব্যৰ্থতাকে উদঙাই দিছে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সঘনে নাৰী সুৰক্ষাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে এই দলবদ্ধ ধৰ্ষণকাণ্ডই বহু প্ৰশ্নৰ সৃষ্টি কৰিছে। ডিমৌ আৰক্ষীয়ে শীঘ্ৰে দোষীক গ্ৰেপ্তাৰ কৰি ফাষ্টট্ৰেক আদালতত বিচাৰ সম্পন্ন কৰি কঠোৰতম শাস্তি প্ৰদান কৰিব লাগে। অনুসূচীত জাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পৰশজ্যোতি দাসে কয় যে স্মাৰ্ট আৰক্ষী শীৰ্ষক শব্দৰে বিভূৰ্ষিত কৰা স্মাৰ্ট শব্দটো বাস্তৱিকতে শিৱসাগৰ জিলাত শ্ল'গানতহে পৰিণত হৈছে। স্মাৰ্ট শিৱসাগৰ আৰক্ষীয়ে ধৰ্ষণত জড়িত অভিযুক্তক সুদীৰ্ঘ ছটা দিনৰ পিছতো আটক কৰিব নোৱাৰা ঘটনাই স্মাৰ্ট শব্দটোক উপহাস কৰিছে। শিৱসাগৰ আৰক্ষীৰ ব্যৰ্থতা আৰু তিনি ধৰ্ষণকাৰীক গ্ৰেপ্তাৰৰ বাবে ২৪ ঘণ্টাৰ সময়সীমা বান্ধি দি পৰশজ্যোতি দাসে কয় যে যদিহে আগন্তক ২৪ ঘণ্টাৰ ভিতৰত ডিমৌ আৰক্ষীয়ে তিনি ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম নহয়, তেন্তে জিলা বন্ধৰ দৰে কাৰ্যসূচী গ্ৰহণ কৰা হ'ব। আনহাতে স্বেচ্ছাসেৱী নৱ উদিত সমাজৰ সভাপতি তথা উজনি অসম খিলঞ্জীয়া মুছলিম যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সভাপতি ফৰিদ ইছলাম হাজৰিকাই কয় যে যিকোনো মূল্যৰ বিনিময়ত ডিমৌ আৰক্ষীয়ে তিনি ধৰ্ষণকাৰীক গ্ৰেপ্তাৰ কৰক। তদন্তকাৰী আৰক্ষীয়ে বিজ্ঞানভিত্তিক তথ্য-প্ৰমাণ আৰু ইলেক্ট্ৰনিক সাক্ষ্য প্ৰমাণৰ ভিত্তিত অভিযুক্তৰ বিপক্ষে শক্তিশালী চাৰ্জশ্বীট মহামান্য আদালতক দাখিল কৰিলেহে দোষীয়ে কঠোৰ শাস্তি লাভ কৰিব। এনেদৰে ঘটনাটোক লৈ আজিও উত্তাল হৈ আছে শিৱসাগৰ তথা সমগ্ৰ ৰাজ্য।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ন্তৰ পদত্যাগ

নিজ ইচ্ছা মতে পৰিচালনা কৰাৰ অভিযোগৰ মাজতে এক সপ্তাহৰ ভিতৰতে ৰাজ্যিক সমিতিৰ পৰা প্ৰতিষ্ঠাকালৰ দুই নেতাই দল এৰিবলৈ বাধ্য হৈছে। সক্ৰিয় নেতা বিশ্বনাথ জিলাৰ সভাপতি মেহুৰেল বসুমতাৰীক নিলম্বন কৰাৰ পাছতে এইবাৰ আপৰ ৰাজ্যিক প্ৰশিক্ষণ সমন্বয়ক জয়ন্ত কুমাৰ কলিতাই পদত্যাগ কৰিছে। আম আদমি পাৰ্টিৰ অসম ৰাজ্যিক প্ৰশিক্ষণ সমন্বয়ক জয়ন্ত কুমাৰ কলিতাই এক বিবৃতি যোগে ব্যক্তিগত অসুবিধাৰ বাবে দলৰ প্ৰাথমিক সদস্য পদৰ পৰা পদত্যাগ কৰা বুলি সদৰী কৰিছে। আম আদমি পাৰ্টিত যোগদান কৰি বিগত তিনি বছৰে দলক সেৱা কৰাৰ সুবিধা প্ৰদান কৰাৰ বাবে দলৰ শীৰ্ষ নেতৃত্বক কৃতজ্ঞতা জ্ঞাপন কৰে। দলটোৰ ৰাজ্যিক মিডিয়া সমন্বয়কৰ উপৰিও নলবাৰী-ৰঙিয়া বিধানসভা সমষ্টিৰ তত্বাৱধায়ক তথা উত্তৰ কামৰূপ জিলাৰ আহ্বায়কৰ দায়িত্ব পালন কৰিছে জয়ন্ত কুমাৰ কলিতাই। দলৰ পৰা পদত্যাগৰ কাৰণ ব্যক্তিগত অসুবিধা বুলি উল্লেখ কৰিলেও প্ৰকৃত কাৰণ সভাপতিৰ মইমতালি বুলি জানিব পৰা গৈছে। পুৰণি নেতাসকলক একাষৰীয়া কৰি নতুনকৈ দলটোত যোগদান কৰাসকলৰ দপদপনি বৃদ্ধিৰ ফলতে একাংশ জ্যেষ্ঠ ততা পুৰণি নেতা নাৰাজ বুলি জানিব পৰা গৈছে। উপ-নিৰ্বাচনত বিহালী আৰু চামগুৰিত প্ৰাৰ্থী থিয় কৰাই আমানতৰ ধন বাজেয়াপ্ত হোৱা আম আদমী পাৰ্টীক অসম ৰাজ্যিক সমিতিত বিসম্বাদ আৰম্ভ হোৱাৰ অভিযোগৰ সময়তে উপ-নিৰ্বাচনৰ ফলাফল ঘোষণাৰ দুদিন পিছতে বিশ্বনাথ জিলাৰ সভাপতি মেহুৰেল বসুমতাৰীক সভাপতি পদৰ পৰা অপসাৰণ কৰা হৈছিল। উপ-নিৰ্বাচনৰ প্ৰচাৰ আৰু অন্যান্য দলীয় কাম-কাজৰ পৰা আঁতৰি থকাত দলে বসুমতাৰীক নিলম্বন কৰিছিল যদিও আপে থিয় কৰোৱা প্ৰাৰ্থীক লৈ বিশ্বনাথ জিলা সমিতিয়ে প্ৰশ্ন উত্থাপন কৰাত ৰাজ্যিক নেতাই মেহুৰেল বসুমতাৰীক সভাপতি পদৰ পৰা অপসাৰণ কাৰ বুলি জানিব পাৰ গৈছে। দিল্লীৰ এগৰাকী নেতাই কেইবা কেইবা লক্ষ টকাৰ বিনিময়ত হঠাতে অসমৰ উপ-নিৰ্বাচনত প্ৰাৰ্থী থিয় কৰোৱাৰ সিদ্ধান্ত লৈছিল বুলি গুৰুতৰ অভিযোগ উঠিছে। বিশ্বনাথ জিলাৰ নেতাসকলে সমষ্টিটোত প্ৰাৰ্থী থিয় কৰোৱাটো বিচৰা নাছিল। কিন্তু হঠাতে কিহৰ বাবে অনন্ত গগৈক টিকট দিলে সেই কথা গম পোৱা নাছিল একাংশ নেতাই। দিল্লীৰ এগৰাকী নেতা, প্ৰদেশ সভাপতি ধানোৱাৰৰ বিৰুদ্ধে দলৰ ৰাজ্যিক সমিতিৰ একাংশ নেতা ক্ষুব্ধ বুলি জানিব পৰা গৈছে। বিহালীত আপ প্ৰাৰ্থী অনন্ত গগৈয়ে ১,২১৭টা আৰু চামগুৰিত আপ প্ৰাৰ্থী নুৰুল আমিন চৌধুৰীয়ে ৯৩৪টা ভোট লাভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# উত্তৰ প্ৰদেশত দুৰ্ঘটনা, ৫ নিহত

ভাগত উত্তৰ প্ৰদেশৰ আগ্ৰা-লক্ষ্ণৌ এক্সপ্ৰেছৱে'ত সংঘটিত হয় এই শোকাবহ দুৰ্ঘটনা। জানিব পৰা মতে, নিহত আটাইকেইজন উত্তৰ প্ৰদেশ চিকিৎসা বিজ্ঞান বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ ছাত্ৰ আছিল। ইফালে দুৰ্ঘটনাত আন এগৰাকী কনিষ্ঠ চিকিৎসক গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হৈ বৰ্তমান হাস্পতালত চিকিৎসাধীন হৈ আছে। আৰক্ষীৰ সূত্ৰৰ পৰা জানিব পৰা মতে, বুধবাৰে পুৱা প্ৰায় ৩:৩০ বজাত স্ক'ৰপিঅ' এছ ইউ ভি গাড়ীৰে বিবাহ গৃহৰ পৰা উভতি আহিছিল চিকিৎসক কেইজন। হঠাৎ গাড়ীখনে নিয়ন্ত্ৰণ হেৰুৱাই ৰোড ডিভাইডাৰত খুন্দা মাৰি বিপৰীত দিশৰ পৰা অহা এখন ট্ৰাকৰ সৈতে মুখামুখি সংঘৰ্ষত লিপ্ত হয়। প্ৰচণ্ড সংঘৰ্ষৰ ফলত গাড়ীখন বাগৰি পৰাত থিতাতে নিহত হয় গাড়ীখনত থকা ৫ গৰাকী চিকিৎসক। দুৰ্ঘটনাৰ পিছতে স্থানীয় ৰাইজে ততাতৈয়াকৈ এজন চিকিৎসকক উদ্ধাৰ কৰি হাস্পতাললৈ প্ৰেৰণ কৰে। বৰ্তমান আহত চিকিৎসকজনৰ অৱস্থাও সংকটজনক বুলি জানিব পৰা গৈছে। আৰক্ষীৰ প্ৰাৰম্ভিক তদন্তৰ পৰা জানিব পৰা গৈছে যে চালকজন ৰাতিপুৱাৰ ভাগত টোপনি যোৱাৰ ফলত গাড়ীখনৰ ওপৰত নিয়ন্ত্ৰণ হেৰুৱাই পেলায়। আৰক্ষী বিষয়া প্ৰিয়ংকা বাজপেয়ীয়ে জনোৱা মতে, লক্ষ্ণৌৰ পৰা আগ্ৰালৈ গৈ থকা গাড়ীখনে প্ৰথমে ডিভাইডাৰত খুন্দা মাৰি তাৰ পিছত চাইড লেনত সোমাই ট্ৰাকখনৰ সৈতে সংঘৰ্ষ ঘটে। এই ভয়ংকৰ দুৰ্ঘটনাটোত নিহত চিকিৎসক কেইজন অনিৰুদ্ধ বৰ্মা, সন্তোষ কুমাৰ মৌৰ্য, জয়বীৰ সিং, অৰুণ কুমাৰ আৰু নৰদেৱ বুলি জানিব পৰা গৈছে। ইতিমধ্যে পৰিয়ালৰ সৈতে যোগাযোগ কৰিছে আৰক্ষীয়ে। দুৰ্ঘটনাটো কেনেকৈ সংঘটিত হ'ল সেই সন্দৰ্ভত তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছক চৰ্ত দিবলৈ আৰম্ভ অখিলৰ

জেলৰ থকাৰ সময়তে আৰেগৰ ঢৌৰত জয়ী হৈছিল। দলটোৰ সভাপতি অখিল গগৈয়ে ২০২৬ চনত চৰকাৰ গঠন কৰাৰ দাবী, ২৬ বিধায়ক জয়ী কৰোৱাৰ দাবী কৰি আহিছে। আজিলৈ সম্পূৰ্ণকৈ এটাও বিধানসভা নিৰ্বাচনত পূৰ্ণাংগভাৱে নিৰ্বাচন খেলাৰ অভিজ্ঞতা নথকা অখিল গগৈয়ে বাৰে বাৰে ২০২৬ চনত চৰকাৰ গঠন কৰাৰ ঘোষণা কৰি আহিছে। ইপিনে একেইগৰাকী অখিল গগৈয়ে শেহতীয়াকৈ বিজেপি তথা মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে নৰম স্থিতি গ্ৰহণ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন হৈ আহিছে। অসমৰ অসমীয়া হিন্দু অধ্যুষিত বিধানসভা সমষ্টিৰ পৰিৱৰ্তে মুছলমান অধ্যুষিত সমষ্টিত ব্যাপক হাৰত প্ৰচাৰ কৰি অহাত অখিল গগৈয়ে বিৰোধীৰ ভোট ভাঙি বিজেপিক যিকোনো প্ৰকাৰে সহায় কৰিব খোজা বুলি অভিযোগৰ মাজতে আজি অখিল গগৈয়ে পুনৰ বিস্ফোৰণ ঘটাইছে। কংগ্ৰেছে ২০ খন আসন এৰি দিলেহে মিত্ৰতা কৰা হ'ব বুলি ঘোষণা কৰিছে। কংগ্ৰেছে যদি আমাৰ এই দাবী মানি নলয় তেন্তে আমি ১২৬টা সমষ্টিত প্ৰাৰ্থী সাজু কৰিছো। আমি ২০ খন আসন বিচাৰিব খুজিছো আৰু ২০ আসনত যাতে বিধায়ক জয়ী কৰি আনিব পাৰো তাৰ আশা কৰিছো। এআইইউডিএফ দলক কংগ্ৰেছৰ সৈতে চামিল হ'বলৈ আহ্বান জনাইছে অখিল গগৈয়ে। আজি গুৱাহাটীৰ এটা ব্যক্তিগত খণ্ডৰ ছেটেলাইট চেনেলক দিয়া সাক্ষাৎকাৰত এই আহ্বান জনাইছে অখিল গগৈয়ে। অখিল গগৈয়ে বদৰুদ্দিন আজমলক হি'ৰ থাকিবলৈ আহ্বান জনাই কয় যে যদি এআইইউডিএফ দল নিজে নিজে ধ্বংস হৈ তেতিয়া বদৰুদ্দিন আজমল ভিলেইন হ'ব। যদি ৰাইজে ধ্বংস কৰাৰ পৰিৱৰ্তে আজমলে পূৰ্বেই দলটো ভাঙি দিয়ে তেন্তে আজমল হিৰো হ'ব পাৰিব। সংখ্যালঘুৰ ভোট বিভাজন কৰিবলৈ কংগ্ৰেছ আৰু ইউডিএফৰ দখলত থকা সংখ্যালঘু ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা সমষ্টিত অখিল গগৈ তৎপৰ হোৱাত বিজেপিক সহায় কৰিব খোজা বুলি অভিযোগ উত্থাপন হৈ থকাৰ সময়তে আজি অখিল গগৈয়ে স্পষ্টীকৰণ দি কয় যে ২৬ অক্টোবৰলৈ আমাৰ কংগ্ৰেছৰ সৈতে ভাল সম্পৰ্ক আছিল। কিন্তু ২০২১ চনৰ বিধানসভাৰ নিৰ্বাচনৰ দৰেই উপ-নিৰ্বাচনত কংগ্ৰেছে আসন নিদিয়াত আমি প্ৰচাৰ কৰাৰ সিদ্ধান্ত লও। যোৱা দুটা বছৰে আমি কংগ্ৰেছৰ সৈতে থকাত কংগ্ৰেছৰ দখলত থকা সমষ্টিত প্ৰচাৰ কৰা নাছিলো। এতিয়া সম্পৰ্ক নাই বাবে আমি সকলো ঠাইত প্ৰচাৰ আৰম্ভ কৰিছো। ২৭ অক্টোবৰৰ পৰা আমি সমগ্ৰ অসমত সভা কৰিছো। কংগ্ৰেছৰ সমষ্টিত প্ৰচাৰ সন্দৰ্ভত আৰু কয় যে যিহেতু লোকসভা নিৰ্বাচনত বামপন্থী দলসমূহক কংগ্ৰেছে বৰপেটা সমষ্টিটো এৰি দিয়া নাছিল, আমি ভাবিছিলো উপ-নিৰ্বাচনত এখন আসন দিব, কিন্তু কংগ্ৰেছে নিদিলে। ২০২৬ চনলৈ বিৰোধী একত্ৰিত হৈ থাকিব লাগিব। সকলোৱে জানে যে শাসক পক্ষক পৰাভূত কৰিব লাগিলে বিৰোধী একত্ৰিত হৈ থাকিব লাগিব। আমাৰ আটাইতকৈ ডাঙৰ শত্ৰু বিজেপি। আনহাতে, বিহালীত অখিল গগৈৰ দলে সমৰ্থন কৰা চিপিআইএমএলৰ প্ৰাৰ্থীজনে ৫ হাজাৰ ভোট লাভ কৰাত প্ৰতিক্ৰিয়া ব্যক্ত কৰি কংগ্ৰেছৰ দৰেই তেওঁ নিজেও চিপিআইএমএলক বিশ্বাসঘাতকতা কৰা বুলি কয়। মই মাত্ৰ নিয়মমাফিক এবাৰ প্ৰচাৰ কৰিবলৈ গৈছিলো। আমি জানিছিলো চিপিআইএমএল তৃতীয় স্থানত থাকিব। কংগ্ৰেছ আৰু বিজেপিৰ পোনপটীয়া ফাইট হ'ব বুলি জানিছিলোৱেই। তাৰ বাবে আমি কংগ্ৰেছক এটা সুযোগ দিছো। ২০২১ চনতো আমি কংগ্ৰেছক সহায় কৰিছিলো। অসম জাতীয় পৰিষদৰ সৈতে মিত্ৰতা নকৰিলো। যাতে ভোট বিভাজন নহয়। ২০২১ চনত আমি কংগ্ৰেছক সহায় কৰিবলৈ মাথো ১৮ টা সমষ্টিত খেলিছিলো। গৌৰৱ গগৈক গালি দিয়া বিষয়ত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে বিহালীত যদি গৌৰৱে টিকট দিবই বিচাৰিছিল তেতিয়াহ'লে এবাৰ আমাৰ সৈতে আলোচনা কৰিব লাগিছিল। টিকট ঘোষণা কৰি আমাৰ সৈতে এবাৰো কথা নাপাতিলে। বৰঞ্চ লিলি হোটেলৰ বৈঠকক মানি নোলোৱা বুলি প্ৰকাশ কৰিছে। বদৰুদ্দিন আজমল সন্দৰ্ভত আৰু কয় যে আজমলে সদায়েই মন্তব্য দি বিজেপিক সহায় কৰি আহিছে। লগুী-টুপিৰ চৰকাৰ হ'ব বুলি কৈ বিজেপিক সহায় কৰে। এনেকুৱা মন্তব্য কৰিলে হিমন্ত বিশ্ব শৰ্মাই হৈ-হাল্লা কৰি উজনি অসমত ভোট একত্ৰিত কৰে। আজমলে লোকসভাত কৰিমগঞ্জ সমষ্টিত আৰু উপ-নিৰ্বাচনত চামগুৰিত বিজেপিলৈ ভোট ট্ৰান্সফাৰ কৰি দিছে। কংগ্ৰেছক পুনৰ আক্ৰমণ কৰি অখিল গগৈয়ে কয় যে আহক বহো বুলি ক'লে এইবাৰ আমি কংগ্ৰেছৰ সৈতে নবহো। প্ৰথমে কংগ্ৰেছে ক'ব লাগিব। আমি ইমান আসনত খেলিম আপোনোলাকে ইমানখন আসনত খেলক। কংগ্ৰেছে যদি মানি নলয় তেন্তে আমি ১২৬টা সমষ্টিত প্ৰাৰ্থী সাজু কৰিছো। আমি ২০ খন আসন বিচাৰিব খুজিছো আৰু ২০ আসনত বিধায়ক জয়ী হ'ব পাৰো তাৰ আশা কৰিছো। অখিল গগৈয়ে কেইবাজন বিধায়কে ৰাইজৰ দলত যোগদান কৰিব খোজা বুলি দাবী কৰিছে। এআইইউডিএপে, বিজেপি, অগপ, কংগ্ৰেছৰ বিধায়কে ৰাইজৰ দলত যোগ দিব বিচাৰিছে বুলি দাবী কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হাঁহি শেষ! খাওগলিত এতিয়া উচ্ছেদিতৰ

কাটি তহিলং কৰিব খোজাত ৰাইজ ওলাই অহাত সেই সিদ্ধান্ত বাতিল কৰিছে যদিও এইবাৰ এন এক হঠাকৰী সিদ্ধান্ত লৈছে ৰাজ্য প্ৰশাসনে। কমৰূপ মহানগৰ জিলা প্ৰশাসন তথা গুৱাহাটী পৌৰন নিগমে দীঘলীপুখুৰীপাৰৰ অন্যতম আকৰ্ষণ সৰু সৰু ছাট হাউচসমূহ উচ্ছেদ কৰি নিশাৰ ভিতৰতে শতাধিক পৰিয়ালৰ কঁকাল ভাঙি পেলায়। ঋণ লৈ, গাঁৱৰ মাটি বন্ধকত থৈ গুৱাহাটীত ব্যৱসায় আৰম্ভ কৰা শতাধিক থলুৱা ব্যৱসায়ীক নিশাৰ ভিতৰতে নিবনুৱালৈ পৰ্যবসিত কৰিলে পৌৰ নিগমে। দীঘলীপুখুৰীপাৰত উচ্ছেদ অভিযান চলোৱাত মঙলবাৰৰ নিশাৰে পৰা হাহাকাৰ পৰিস্থিতি পৰিলক্ষিত হয়। 'খাওগলী' নামেৰে বিখ্যাত হোৱা দীঘলীপুখুৰীপাৰ থলুৱা ব্যৱসায়ীয়ে ওৰে নিশা কান্দি কান্দি সময় পাৰ কৰিবলগীয়া হয়। গুৱাহাটী পৌৰ নিগমে মঙলবাৰে নিশা খাওগলীৰ সকলো দোকান বুলডজাৰ লগাই উচ্ছেদ কৰে। একাংশ ব্যৱসায়ীয়ে বুলডজাৰ লগোৱাৰ পূৰ্বেই নিজৰ নিজৰ দোকানখন সামগ্ৰীসহ ঘৰমুৱা হোৱা দৃশ্য আছিল বেদনাদায়ক। কেইবা বছৰ ধৰি সন্ধিয়াৰে পৰা এক আড্ডাথলীত পৰিণত সহৈছিল খাওগলী। কটন বিশ্ববিদ্যালয়, সন্দিকৈ ছোৱালী কলেজ, উচ্চ ন্যায়ালয়, জিলা আদালত, ৰে'ল ষ্টেচন, ৰিজাৰ্ভ বেংক, জিলা পুথিভঁড়াল আদি থকাত নিতৌ শ-শ লোকে সমৱেত হোৱা দীঘলীপুখুৰীপাৰ এক ব্যস্ত ঠাইলৈ পৰ্যবসিত হৈছিল। প্ৰায় শতাধিক ছাট হাউচ চলাই সুন্দৰ ব্যৱসায় কৰিছিল থলুৱা যুৱকে। এনেদৰেই বহু যুৱকে সন্তানক পঢ়ুৱাই থকাৰ লগতে ৰুমৰ ভাড়া, ৰোগীয়া পিতৃ-মাতৃৰ চিকিৎসা আদি কৰি গৈছিল। কিন্তু নিশাৰ ভিতৰতে ব্যৱসায় উচ্ছেদ কৰাত সংস্থাপনহীন তথা উপাৰ্জনহীন হৈ পৰিল শতাধিক পৰিয়াল। পূৰ্বৰে পৰা খাওগলীখন মুক্ত কৰিবলৈ যো-জা চলাইছিল পৌৰ নিগমে। মঙলবাৰে উচ্ছেদ চলাবলৈ বুলড'জাৰ লৈ আহে প্ৰশাসন তথা পৌৰ নিগমৰ দল। কোনো কথাকে মানি নলৈ এফালৰ পৰা বুলডজাৰ চলাই প্ৰশাসনে। মঙলবাৰে নিশাৰে পৰা ক্ষুদ্ৰ ব্যৱসায়ীসকলে নিজৰ দোকানখন পহৰা দি নিশা ৰাজপথতে পাৰ কৰে। জাৰ কপি কপি নিজৰ উপাৰ্জনৰ একমাত্ৰ দোকানখন ৰক্ষা কৰিবলৈ প্ৰয়াস কৰিছিল যদিও সেয়া সম্ভৱ নহ'ল। ব্যৱসায়ীসকল সংবাদমাধ্যমৰ সন্মুখত ফেঁকুৰি উঠে। এজন ব্যৱসায়ীয়ে ফেঁকুৰি ফেঁকুৰি কয় যে মই মাহিলী ৫০ হাজাৰ টকা সুদ দি আছো। আজি যে মোক উঠাই দিলে মই কাইলৈৰ পৰা কি কৰি খাম। মোক গুলীয়াই মাৰি পেলাওক। মই ৰে'লৰ আগত পৰি পৰি থাকিম। আমি কিমান কষ্ট কৰি চলি আছো সেই কথা আমি জানো। আমি ড্ৰাগছৰ বেপাৰ কৰা নাই। মোৰ কেনেকুৱা কণ্ডিচন চলি আছে কোনে জানিব। আমি কাকোৱে প্ৰব্লেম কৰা নাই। কিন্তু আমাক উচ্ছেদ কৰা হ'ল। আমি পুৰণি বিহাৰী লোকসকলোকো খেদা নাছিলো। সিঁহতকো বেপাৰ কৰি খাব দিছো। মোৰ মোবাইলত সুদৰ টকা বিচাৰি ফোন আহিয়েই থাকে। জানিব পৰা মতে, পূৰ্বে মঙলবাৰৰ নিশা ১০ বজাৰ ভিতৰত খাওগলী খালী কৰাৰ জাননী দি নিশা প্ৰায় ১০ বাজি ৩০ মিনিটত খাওগলিত প্ৰশাসনৰ বৃহৎ দল বুলডজাৰ লৈ উপস্থিত হোৱাত হাহাকাৰ লাগে। উৰণ সেঁতু নিৰ্মাণৰ কথা কৈ খাওগলীৰ ৭০খন বিপণী উচ্ছেদ কৰে পৌৰ নিগমে। খাওগলিত প্ৰশাসনে উচ্ছেদ আৰম্ভ কৰাৰ পাছতে হাহাকাৰ লাগে দীঘলীপুখুৰীপাৰত। একাংশ ব্যৱসায়ীয়ে তেওঁলোকৰ বিপণী উচ্ছেদ কৰিব নিদিয়াৰ হুংকাৰ দিৰ নিশা দীঘলীপুখুৰীপাৰতেই পাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মহাৰাষ্ট্ৰত মুখ্যমন্ত্ৰীৰ পদক লৈ নাটক!

হাতত ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ আসন এৰি দিছিল বিজেপিয়ে। ইয়াৰ পিছত উপ-মুখ্যমন্ত্ৰীৰ আসনখনো অজিত পাৱাৰৰ সৈতে ভাগ কৰিছিল দেৱেন্দ্ৰ ফড়নাবিছে। কিন্তু শেহতীয়াকৈ সমাপ্ত হোৱা মহাৰাষ্ট্ৰ বিধানসভা নিৰ্বাচনত বিজেপি নেতৃত্বাধীন মহাযুটিৰ সফলতা আৰু বিজেপি একক সংখ্যাগৰিষ্ঠ দল হিচাপে পৰিগণিত হোৱাৰ পিছতে এতিয়া মুখ্যমন্ত্ৰীৰ আসনখন পুনৰ নিজৰ দখললৈ অনাৰ যো-জা চলাইছে গেৰুৱা বাহিনীয়ে। সংবাদ সংস্থা এনডিটিভি সূত্ৰ অনুসৰি, ৰাজ্যখনৰ নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰিব বিজেপিৰ নেতাই। আনহাতে এই চৰকাৰখনত একনাথ সিন্ধেৰ শিৱসেনা ফৈদ আৰু অজিত পাৱাৰৰ এনচিপিক প্ৰতিনিধিত্ব কৰি নিযুক্ত কৰা হ'ব দুজন উপ-মুখ্যমন্ত্ৰীক। উল্লেখ্য যে, শেহতীয়াকৈ সমাপ্ত হোৱা নিৰ্বাচনত বিজেপিয়ে ১৩২ খন আসন (মুঠ ২৮৮ খনৰ ভিতৰত) আৰু তেওঁলোকৰ মিত্ৰ দলসহিতে ২৩৫ খন আসন লাভ কৰে। এই জয়েৰে তেওঁলোকে কংগ্ৰেছ আৰু উদ্ধৱ থাকৰে আৰু শৰদ পাৱাৰৰ শিৱসেনা আৰু এন চি পি দলৰ মহা বিকাশ আঘাড়ী মিত্ৰজোঁটক পৰাস্ত কৰে। অন্যহাতে নতুন চৰকাৰৰ মুখ্যমন্ত্ৰী কোন হ'ব সেয়া এতিয়াও ঘোষণা কৰা হোৱা নাই যদিও প্ৰাক্তন মুখ্যমন্ত্ৰী তথা শেহতীয়া চৰকাৰৰ উপ-মুখ্যমন্ত্ৰী দেৱেন্দ্ৰ ফড়নাবিছেই পুনৰ এই পদ চম্ভালিব বুলি চৰ্চা চলিছে। ৰাজ্যখনৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব সেই সন্দৰ্ভত দেৱেন্দ্ৰ ফড়নাবিছ আৰু একনাথ সিন্ধেই সাংবাদিকৰ আগত কয় যে তিনিওটা দলৰ শীৰ্ষ নেতৃত্বই একেলগে বহি বিষয়টোৰ ওপৰত সিদ্ধান্ত ল'ব। একনাথ সিন্ধেয়ে লগতে কয়, "মই প্ৰধানমন্ত্ৰী মোদী জীয়ে যাক বাছি ল'ব, তেওঁকেই সমৰ্থন জনাম। মই ক্ষমতালোভী নহয়।" লক্ষণীয় যে, মহাৰাষ্ট্ৰৰ পৰৱৰ্তী মুখ্যমন্ত্ৰীক লৈ জল্পনা-কল্পনাৰ মাজতে বৃহস্পতিবাৰে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰিব তিনি দলৰ তিনি নেতা ক্ৰমে দেৱেন্দ্ৰ ফড়নাবিছ, একনাথ সিন্ধে আৰু অজিত পাৱাৰে। কিন্তু সিন্ধে ফৈদৰ একাংশ সদস্যই দাবী কৰে যে বিজেপিয়ে তেওঁলোকক মুখ্যমন্ত্ৰী পদৰ প্ৰতিশ্ৰুতি দিছিল। এই প্ৰতিশ্ৰুতি ৰক্ষা কৰি সিন্ধে ফৈদকে আসনখন এৰি দিয়াৰ দাবীও উত্থাপন কৰিছে দলটোৰ একাংশ সমৰ্থকে। সেয়া হ'লেও বিজেপিৰেই আশা স্পষ্ট হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাজিৰঙাত দ্বাদশ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন

বিশ্ব শৰ্মাই উদ্বোধন কৰে। ভাৰত চৰকাৰৰ পৰ্যটন আৰু সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট, অৰুণাচলৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, অসমৰ পৰ্যটন মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, মন্ত্ৰী অতুল বৰা, কেশৱ মহন্তৰ উপস্থিতিত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা উদ্বোধন কৰা হয়। মেলা উদ্বোধন কৰি মুখ্যমন্ত্ৰীয়ে অসমত এতিয়া বিদ্ৰোহী সমস্যা নাই আৰু স্থায়ী শান্তি অহা বুলি দাবী কৰিছে। কাজিৰঙাত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাই অসমৰ প্ৰতি অধিক আন্তঃৰাষ্ট্ৰীয় পৰ্যটকক আকৰ্ষিত কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্যখনত শান্তিপূৰ্ণ পৰিৱেশ আৰু বিদ্ৰোহীৰ সমস্যা নথকাত পৰ্যটকক পূৰ্বৰ ধাৰণা সলনি কৰিবলৈ আহ্বান জনায়। পুৰণি ধাৰণাসমূহে অসমৰ পৰ্যটন সম্ভাৱনাত বাধা প্ৰদান কৰে। যদি সংখ্যাৰ দৃষ্টিৰে লক্ষ্য কৰে দেখিব যে অসমত কোনো হিংসাত্মক কাৰ্যকলাপ বা বিদ্ৰোহীৰ সমস্যা নাই। অৱশ্যে, জাপান আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে দেশসমূহে তেওঁলোকৰ দেশৰ পৰ্যটকৰ বাবে অসমক নিষিদ্ধৰ শ্ৰেণীবদ্ধ কৰি ৰাখিছে। জয়পুৰ বা কৰ্ণাটকৰ দৰে স্থানৰ ক্ষেত্ৰত এনে কৰা নহয়। আমি এনে ধাৰণাক সলনি কৰিবলৈ বিদেশী দূতাবাস আৰু বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ সৈতে সক্ৰিয়ভাৱে কাম কৰি আছো। এই প্ৰচেষ্টাসমূহৰ বাবে বৈদেশিক মন্ত্ৰী এছ জয়শংকৰক কৃতিত্ব দিব লাগিব। ডঃ শৰ্মাই লগতে কয় যে অসম পৰিৱৰ্তনৰ বাবে আগবাঢ়িছে। পৰিস্থিতি সলনি কৰাটো দীঘলীয়া প্ৰক্ৰিয়া আৰু সময় লাগে। কিন্তু এতিয়া আমি পৰিৱৰ্তনৰ মাজেৰে পাৰ হৈছো। আমি বিদেশী পৰ্যটকক অসমৰ সৌন্দৰ্য, শান্তি আৰু সংস্কৃতিৰ অভিজ্ঞতাৰ বাবে আমন্ত্ৰণ জনাই আহিছো। আশা কৰো যে বিদেশী পৰ্যটকে স্বদেশলৈ উভতি গৈ অসমৰ ৰাষ্ট্ৰদূত হিচাপে কাম কৰিব। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱতে ভাষণ প্ৰদান কৰি উত্তৰ-পূবৰ প্ৰাকৃতিক সৌন্দৰ্য, শান্তিপূৰ্ণ পৰিৱেশ আৰু উন্নয়নমুখী লোকসকলক দেখুৱাবলৈ আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মাৰ্টৰ আয়োজন কৰা হৈছে বুলি উল্লেখ কৰে আৰু কয় যে অসমক বিশ্বব্যাপী ধাৰণাক নতুন ৰূপ দিব লাগিব। কাজিৰঙাত আজিৰে পৰা তিনিদিনীয়া অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাই পৰ্যটকৰ বাবে উত্তৰ-পূব অঞ্চলৰ পৰ্যটন সম্ভাৱনা বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। মেঘালয়ৰ পৰ্যটন মন্ত্ৰী পল লিংডোহ, ত্ৰিপুৰাৰ পৰ্যটন মন্ত্ৰী সুশান্ত চৌধুৰী, ছিক্কিমৰ পৰ্যটন মন্ত্ৰী শ্বেৰিং থেণ্ডুপ ভুটিয়া, অৰুণাচলৰ পৰ্যটন মন্ত্ৰী পাসাং দৰ্জি সোণা, মিজোৰামৰ পৰ্যটন মন্ত্ৰী জনপ্ৰিয় গায়ক জুবিন গাৰ্গ, বিশ্বপ্ৰসিদ্ধ এথলীট দীপা কৰ্মকাৰ, মহাৰাষ্ট্ৰৰ পৰ্যটন এম্বেচাদৰ নভেলি দেশমুখ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ প্ৰায় ৪০০ পৰ্যটন ব্যৱসায়ী আৰু উদ্যোগী উপস্থিত থাকে। এই পৰ্যটন মেলাত বিশ্বৰ বিভিন্ন দেশৰ ইউটিউবাৰ, ছ'চিয়েল মিডিয়াৰ ইনফ্লুৱেঞ্চাৰক আমন্ত্ৰণ কৰি অনা হৈছে। যাতে তেওঁলোকে অসমৰ পৰ্যটন সন্দৰ্ভত প্ৰচাৰ কৰিব পাৰে। ইপিনে, মুখ্যমন্ত্ৰীয়ে আজি দেওপাহাৰস্থিত মহাভাৰতৰ যুগৰ শিৱ মন্দিৰ আৰু ইয়াৰ চৌপাশৰ অঞ্চলসমূহৰ সৌন্দৰ্য উপভোগ কৰিবলৈ নুমলীগড় দেওপাহাৰলৈ যায় মুখ্যমন্ত্ৰীগৰাকী। দেওপাহাৰক পৰ্যটনস্থলীলৈ ৰূপান্তৰ কৰাৰ আশ্বাস প্ৰদান কৰে। দেওপাহাৰক পৰ্যটনস্থলীলৈ ৰূপান্তৰিত কৰাৰ লগতে সংগ্ৰাহলয় নিৰ্মাণ কৰি পৌৰাণিক মন্দিৰৰ ভংগাশিলাক নতুনত্ব দিব বুলি ঘোষণে কৰে। মুখ্যমন্ত্ৰীৰ লগত মন্ত্ৰী অতুল বৰা, সাংসদ কামাখ্যা প্ৰসাদ তাছা, খুমটাইৰ বিধায়ক মৃণাল শইকীয়া, সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন, যুৱ সমাজকৰ্মী প্ৰিয়াংদ্বীপ কাকতি, জিজ্ঞাসা ফাউণ্ডেচনৰ সদস্যক দেখা যায় দেওপাহাৰত। দৃষ্টিনন্দন নৈসৰ্গিক শোভাৰে আবৃত তথা জৈৱ বৈচিত্ৰ্যতাৰে পৰিপূৰ্ণ কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাখনৰ জৰিয়তে ৰাজ্যৰ পৰ্যটনখণ্ডই নতুন গতি লাভ কৰিব বুলি আশা কৰা হৈছে। এই লৈ এতিয়া স্থানীয় লোকসকলো আনন্দিত হৈ পৰা পৰিলক্ষিত হৈছে।

# সোণালী অসম ছাত্ৰ সন্থাৰ উদ্যোগত বেজেৰাত লাচিত দিৱস পালন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৭ নৱেম্বৰঃ** সোণালী অসম ছাত্ৰ সন্থাৰ উদ্যোগত তথা কামৰূপ জিলা সমিতিৰ সহযোগত বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত দেওবাৰে বীৰ লাচিত বৰফুকনৰ ৪০২ সংখ্যক জন্মজয়ন্তী উদযাপন কৰা হয়। সোণালী অসম ছাত্ৰ সন্থাৰ সভাপতি যুৱৰাজ দাসে জনোৱা মতে লাচিত দিৱসৰ কাৰ্যসূচী অনুসৰি পতাকা উত্তোলন, শ্বহীদ তৰ্পণ, লাচিতৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পন আৰু গছপুলি ৰোপণৰ পিছতে ছাত্ৰ-ছাত্ৰীৰ মাজত কামৰূপ জিলাভিত্তিক দুটা শাখাত চিত্ৰাংকন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰায় শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰা চিত্ৰাংকন প্ৰতিযোগিতাৰ শুভ উদ্বোধন কৰে সোণালী অসম ছাত্ৰ সন্থাৰ শিক্ষা সম্পাদক ৰাজীৱ বেজে। প্ৰতিযোগিতাৰ নিম্ন শাখাত উত্তৰ কামৰূপ জাতীয় বিদ্যালয়ৰ অচিন্ত ৰাজ ডেকাই প্ৰথম আৰু উদয়ন শান্তি নিকেতনৰ প্ৰতীক্ষা ডেকাই দ্বিতীয় স্থান লাভ কৰে। অনুৰূপধৰণে উচ্চ শাখাত বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কৃপাল ৰয়ে প্ৰথম আৰু ফ্ৰন্টলাইন ইংলিছ স্কুলৰ দেৱাশীষ কাশ্যপে দ্বিতীয় স্থান লাভ কৰে। এই অনুষ্ঠানতে সোণালী অসম ছাত্ৰ সন্থাৰ উদ্যোগত 'প্ৰচেষ্টা' শীৰ্ষক এক বিশেষ অনুষ্ঠানৰো শুভ উদ্বোধন কৰা হয়। মুকলি সভা আৰু বঁটা বিতৰণী অনুষ্ঠানৰে সামৰণি পৰে লাচিত দিৱসৰ। মুকলি সভাত সভাপতিত্ব কৰে সাংস্কৃতিক সম্পাদক হিমন ভূঞাই। সভাৰ মুখ্য অতিথিৰূপে বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক পৱন চন্দ্ৰ ডেকা, বিশিষ্ট অতিথিৰূপে বেজেৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক জিতেন্দ্ৰ কুমাৰ বৰুৱা আৰু বি. বৰুৱা কলেজৰ প্ৰাক্তন সাধাৰণ সম্পাদক মানস প্ৰতীম দাস উপস্থিত থাকে। অনুষ্ঠানত নিউটন চায়েন্স একাডেমীৰ সঞ্চালক প্ৰিন্স কুমাৰ দাস, চাংসাৰিৰ বিশিষ্ট সমাজসেৱক কংকন নাথ, গুৱাহাটীৰ বিশিষ্ট সমাজসেৱক সুনিত দাস, স্থানীয় সমাজসেৱক ভাস্কৰজ্যোতি বেজবৰুৱাই বিশেষভাৱে সহযোগিতা আগবঢ়ায়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুলীচালনাৰে জড়িত ২জন আটক

মহকুমা ক্ৰমান্বয়ে অপৰাধীৰ ঘাটিত পৰিণত হৈছে। বিলাসীপাৰা ৰাজহ চক্ৰৰ বিভিন্ন এলেকাত অপৰাধীয়ে বহুসংখ্যক অপৰাধমূলক কাৰ্য সংঘটিত কৰি আহিছে যদিও অপৰাধী চক্ৰক উৎখাত কৰিবলৈ সম্পূৰ্ণৰূপে ব্যৰ্থ হৈছে আৰক্ষী প্ৰশাসন। বিগত এটা বছৰৰ ভিতৰত বিলাসীপাৰা ৰাজহ চক্ৰৰ বিভিন্ন এলেকাত বহু ভয়ানক ঘটনা সংঘটিত হোৱাৰ পিছতো আৰক্ষী বিভাগে শিক্ষা নোলোৱাৰ পৰিণতিতে কালি পুনৰাই ৰাণীগঞ্জ বজাৰত থকা চিএচপি চেন্টাৰত দিনদুপৰতে নিৰ্বিচাৰ গুলীচালনাৰে দুজন যুবক ক্ৰমে ৰতন বৰ্মন আৰু আবেইদুৰ ৰহমান গুলীবিদ্ধ হৈ গুৰুতৰ ভাৱে আহত হয়। উল্লেখ্য যে ইয়াৰ পূৰ্বেও বিলাসীপাৰাৰ বাঘমাৰিত দুৰ্ষ্কৃতিকাৰীয়ে স্বামী-স্ত্ৰীক নৃশংসভাৱে হত্যা কৰা, কুৰ্শাকাটিত (ৰানীগঞ্জ) স্বামী-স্ত্ৰীক ডিঙি ৰেপি হত্যা কৰা, বিলাসীপাৰাৰ ৰাসেৰ আলী নামৰ মানুহজনক শুই থকা অৱস্থাত গুলিয়াই হত্যা কৰা, কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্য্যবাহী পাৰিষদৰ নিজগৃহৰ পৰা প্ৰায় ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত আততায়ীয়ে যুৱক এজনক পিষ্টলৰে মূৰত আঘাত কৰি শূণ্যলৈ গুলীচালনা কৰা, শালকোচা বজাৰত প্ৰভাতি সূত্ৰধৰ নামৰ মহিলাগৰাকীক ভৰিত গুলীওৱা আদিকে ধৰি বহু ঘটনাৰ পিছত কালি ৰাণীগঞ্জ বজাৰত গুলীচালনাৰ ঘটনা সংঘটিত হয়। এটাৰ পিছত এটাকৈ সংঘটিত হোৱা ঘটনাবোৰৰ বাবে সাধাৰণ জনতাৰ নিদ্ৰাহৰণ হৈছে আৰু বহু ঠাইত ছেগাচোৰোগাকৈ স্থানীও জনতাই নিজাববীয়াকৈ পহৰাৰো ব্যৱস্থা কৰিছে যদিও দুৰ্ষ্কৃতিকাৰীৰ উপদ্ৰৱ কমা নাই। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অপশক্তিৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ পিছত ৰাজ্যৰ সকলো জিলাতে অপৰাধ আৰু অপৰাধী কমি আহিছে যদিও ধুবুৰী জিলাত দিনকদিনে দুৰ্ষ্কাৰ্যমুলক ঘটনা বাঢ়িয়েই আছে। গৰুচোৰ, ঘৰৰ বয়বস্তু চোৰ, পানীতোলা মেচিনৰ পৰা দমকললৈকে চোৰে চোৰ কৰি নিয়া কাৰ্যৰ ফলত এতিয়া জনতা ঘৰ এৰি কলৈকে যাব নোৱাৰা অৱস্থাৰ সৃষ্টি হৈছে। ইয়াৰোপৰি নিশা হলেই মাৰণাস্ত্ৰধাৰীৰ ভয়ত কঁপি থাকে সাধাৰণ জনতা। অঞ্চলটোত পুলিচ পেট্ৰলিং নাই বুলিবই পাৰি আৰু সংশ্লিষ্ট থানাৰ ভাৰপ্ৰাপ্ত বিষয়া, মহকুমা সদৰ বিষয়াৰ দক্ষতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। বিলাসীপাৰাৰ স্থানীয় ৰাইজে বিলাসীপাৰা মহকুমা আৰক্ষী প্ৰশাসনত ব্যাপক সালসলনিৰ কামনা কৰি এইক্ষেত্ৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ হস্তক্ষেপ কামনা কৰিছে। কমতাপুৰ স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী জিৰেশ ৰায়ৰ নিজ গাঁও শাশাৰগাঁৰৰ পৰা আৰম্ভ কৰি ৰাণীগঞ্জ, কুৰ্শাকাটি, শালকোচালৈ নিৰাপত্তাহীনতা ভূগি থকা জনসাধাৰণে দুৰ্ষ্কৃতিকাৰীক কৰায়ত্ব কৰি কঠোৰ শাস্তিৰ পোষকতা কৰিছে। ইপিনে আজি স্থানীয় জনতা আৰু বিভিন্ন দল সংগঠনে কালিৰ গুলীচালনা ঘটনাৰ প্ৰতিবাদত ক্ষুব্ধ হৈ ৰাণীগঞ্জ আৰক্ষী চকী ঘেৰাও কৰি আৰক্ষীৰ ভূমিকাক লৈ প্ৰশ্ন উত্থাপন কৰে। অঞ্চলটোৰ জনসাধাৰণৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ দাবী জনাইছে বিভিন্ন দল-সংগঠনে। ইফালে, ৰাণীগঞ্জ বজাৰত সংঘটিত হোৱা গুলীচালনাৰ ঘটনাৰ সৈতে জড়িত থকাৰ অভিযোগত আৰক্ষীয়ে দুজন যুৱকক কৰায়ত্ত কৰে। এই যুৱক দুজন হৈছে বিলাসীপৰা বেলতলীৰ নুৰ ইছলাম আৰু শালকোছাৰ আখতাৰ ওৰফে আব্বাছ। যুৱক দুজনৰ পৰা এটা মেগজিন উদ্ধাৰ হোৱাৰ উপৰিও যোৱাকালিৰ ঘটনাত ব্যৱহাৰ কৰা মটৰ চাইকেলখন অঞ্চলটোৰ লক্ষীগঞ্জৰ শুক্লাটাৰীৰ পৰা উদ্ধাৰ কৰা বুলিও সদৰী কৰিছে আৰক্ষীয়ে।

# বৰপেটাত মৃতদেহ উদ্ধাৰ হোৱা পপীৰ মাজুলীৰ গৃহত শোকাকুল পৰিৱেশ

## স্বামীৰ বিৰুদ্ধে ভুৱা পৰিচয়েৰ বিয়া কৰোৱাৰ অভিযোগ

**ই-সংবাদ, মাজুলী, ২৭ নৱেম্বৰঃ** বৰপেটা ৰোডত কালি মাজুলীৰ পপী হাজৰিকা (দিছা) নামৰ এগৰাকী যুৱতীৰ মৃতদেহ উদ্ধাৰৰ খবৰৰ পিছত আজিও সমগ্ৰ মাজুলীতেই বিষয়টোক লৈ চাঞ্চল্যৰ অব্যাহত আছে। জানিব পৰা মতে, মাজুলী বনগাঁৱৰ পূৱ মাজুলী মহাবিদ্যালয় তিনিআলি সমীপৰ নিবাসী সোমনাথ হাজৰিকা আৰু বগী হাজৰিকাৰ তৃতীয় কন্যা পপী হাজৰিকা (দিছা) আজিৰ পৰা প্ৰায় এটা বছৰৰ পূৰ্বে বৰপেটাৰ এগৰাকী যুৱকৰে বিয়া হৈ গৈছিল যদিও পৰিয়ালৰ লোকে এই বিষয়ত শেহতীয়াকৈহে অৱগত হৈছিল। কিন্তু কালি যুৱতীগৰাকীৰ মৃতদেহ উদ্ধাৰৰ খবৰ লাভ কৰি সম্প্ৰতি ৰুগীয়া পিতৃ-মাতৃ, দিব্যাংগ ভগ্নী আৰু ভাতৃ শোকত ভাগি পৰিছে। আজি যুৱতীগৰাকীৰ মাজুলীৰ গৃহত বিৰাজ কৰা এক শোকাকুল পৰিৱেশৰ মাজতে যুৱতীগৰাকীৰ মাতৃয়ে বহুকেইটা চাঞ্চল্যকৰ অভিযোগ উত্থাপন কৰে। যুৱতীৰ মাতৃয়ে এই সন্দৰ্ভত কয় যে ভুৱা পৰিচয়েৰে বৰপেটা ৰোডৰ প্ৰীতম ডেকাই মোৰ ছোৱালীজনীক নি মাৰিছে। প্ৰীতম ডেকা নামৰ যুৱকজনে পঞ্চাশ হাজাৰ টকা দাবী কৰা বুলিও মাতৃয়ে অভিযোগ উত্থাপন কৰে। কোনো থানাত গাড়ীৰ চালক হিচাপে কৰ্মৰত বুলি পৰিচয় দিয়াৰ লগতে মাজুলীৰ যুৱতীগৰাকীৰ গৃহলৈ দুবাৰ যুৱকজন আহিছিল যদিও যুৱকজনৰ পিতৃ-মাতৃৰ লগত মৃত পপী হাজৰিকাৰ পৰিয়ালক আজিকোপতি চিনাকি কৰাই দিয়া নাছিল বুলি জানিবলৈ দিয়ে। যুৱতীগৰাকী দুবছৰৰ পৰা যুৱকজনৰ লগত থকাৰ কথাও মাতৃয়ে লগতে জানিবলৈ দিয়ে। ইয়াৰ উপৰিও পপী হাজৰিকাক প্ৰায়ে ৰুমতে আবদ্ধ কৰি ৰাখি দুই-তিনি দিনলৈ থানাত গাড়ী চলাবলৈ যোৱা বুলি মাতৃগৰাকীয়ে উল্লেখ কৰে। পপীৰ মাতৃয়ে আৰু কয় যে পপীক মাৰপিট কৰিছিল আৰু টকা ডিমাণ্ড কৰিছিল। সি আমাক হিন্দু বুলি মিছা পৰিচয় দি ছোৱালীজনী লৈ গৈছিল, মোৰ ছোৱালীয়ে তাৰ প্ৰকৃত পৰিচয় লাভ কৰি ঘৰলৈ গুছি আহিছিল যদিও চলিত বৰ্ষৰ ভাদ মাহৰ শেষৰ ফালে প্ৰীতমে তাইক এএছ ১৫এএ ৮২৭২ নম্বৰৰ এল্ট কে-১০ গাড়ী এখনেৰে আহি তাইক ঘৰৰ পৰা পুনৰ লৈ গৈছিলহি। কিন্তু পুনৰ ৰাসৰ পূৰ্বে ৰুগীয়া পিতৃৰ খবৰ ল'বলৈ বুলি ঘৰলৈ গুছি আহি পুনৰ বৰপেটালৈ নাযাওঁ বুলি আমাক কৈছিল যদিও আজিৰ পৰা প্ৰায় এসপ্তাহ পূৰ্বে দৰৱ কিনিবলৈ যাও বুলিযোৰহাটলৈ গৈছিল আৰু কাৰ প্ৰৰোচনাত পৰি পুনৰ বৰপেটা পালেগৈ নাজানো বুলি মাতৃয়ে উল্লেখ কৰে। ঘৰৰ ম'বাইলটো বেয়া হোৱাৰ বাবে যোৱা শুকুৰবাৰে বিয়লি ৩ মান বজাত এবাৰ পপীৰ সৈতে কথা হৈছিল আৰু তাৰ পিছৰ পৰা পপীৰ লগত কোনো যোগাযোগ নাছিল বুলিও মাতৃয়ে জানিবলৈ দিয়ে। ইফালে যুৱকগৰাকীয়ে পপী হাজৰিকাৰ পৰিয়ালক দিয়া আধাৰ কাৰ্ড অনুসৰি যুৱকজনৰ নাম প্ৰীতম ডেকা আৰু পিতৃৰ নাম অজল ডেকা আৰু ঘৰৰ ঠিকনা বৰপেটাৰ মনদিয়া বৰদলনি বুলি উল্লেখ আছে। ইফালে কালি ঘটনাস্থলীত গুৱাহাটীত বসবাস কৰা ভগ্নী আৰু ভিনিহিয়েক উপস্থিত হোৱাৰ লগতে আজি মাজুলীৰ বাসগৃহলৈ যুৱতীগৰাকীৰ মৃতদেহ অনা হয়। উল্লেখ্য যে যুৱতীগৰাকীৰ মৃতদেহ বৰপেটা ৰোডত একপ্ৰকাৰ অৰ্ধ উলংগ অৱস্থাত উদ্ধাৰৰ খবৰে যুৱতীগৰাকী জঘন্য হত্যাকাণ্ডৰ বলি হোৱা বুলিও কালিয়েই সকলোৱে সন্দেহ ব্যক্ত কৰিছিল। মাজুলীৰ সচেতন মহলে ঘটনাৰ উচিত তদন্ত কৰি দোষীক শাস্তিৰ দাবী জনাইছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ডিব্ৰুগড়ত সাংবাদিকক ভাবুকি ছাত্ৰ নেতা অম্লান সোণোৱালৰ

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ নৱেম্বৰঃ** ডিব্ৰুগড়ত তথাকথিত ছাত্ৰ নেতা অম্লান সোণোৱালে সাংবাদিকক হত্যাৰ ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছে। আজি সন্ধিয়া আছাম টকছৰ সাংবাদিক হৰি দাসক ৰাজপথত আগভেটা দি অম্লান সোণোৱালে ভাবুকি দিয়াৰ অভিযোগ উত্থাপন হৈছে। এই ঘটনাক লৈ চাঞ্চল্যৰ সৃষ্টি হৈছে। অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিয়ে ঘটনাক গৰিহণা দিছে। ইউনিয়নৰ জিলা সমিতিৰ সভাপতি দিবাকৰ দত্ত আৰু মুখ্য সম্পাদক তপন কুমাৰ শইকীয়াই সাংবাদিকত ভাবুকি দিয়াৰ সাহস ক'ত পালে বুলি প্ৰশ্ন কৰি স্বয়ম্ভু ছাত্ৰ নেতা অম্লান সোণোৱালক গ্ৰেপ্তাৰৰ দাবী জনায়। শীঘ্ৰে ছাত্ৰ নেতা অম্লান সোণোৱালক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে ডিব্ৰুগড় আৰক্ষী প্ৰশাসনক।

# বালিজুৰিত তিনি ছাগলী চোৰক আটক



**ই-সংবাদ, পুৰণিগুদাম, ২৭ নৱেম্বৰ:** নগাঁও জিলাৰ পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ বালিজুৰিত আজি ৰাইজে আটক কৰে তিনিটাকৈ ছাগলী চোৰক।ছাগলীসহ চোৰ কেইটা আটক কৰি পুৰণিগুদাম আৰক্ষীক চমজাই দিয়ে স্থানীয় ৰাইজে। জানিব পৰা মতে, বিভিন্ন সময়ত ছাগলী চোৰৰ লগত জড়িত চোৰ কেইটাই বিভিন্ন স্থানত ফুৰিবলৈ যোৱাৰ চলেৰে ছাগলী চোৰ কৰি পলাই যায়।এশ গৰু মাৰিলে বাঘৰো মৰণ হোৱাৰ দৰে চোৰ কেইটা আজি বালিজুৰি ৰাইজৰ ফান্দত পৰে।ধৃত চোৰ কেইটা হিৰকজ্যোতি বৰা,অনুৰাগ কাশ্যপ দাস আৰু হিৰকজ্যোতি নাথ ইয়াৰে অনুৰাগ কাশ্যপৰ পিতৃ আৰক্ষী বিভাগত কৰ্মৰত হোৱাৰ লগতে আন এজনৰ পিতৃয়ে আৰক্ষী বিভাগৰ পৰা অৱসৰ গ্ৰহণ কৰিছে।চোৰ কেইটাৰ হাতৰ পৰা এ-কে ৪৭ ৰ কাৰ্টুজৰ লগতে তিনিটাকৈ ম'বাইল ফোন জব্দ কৰে আৰক্ষীয়ে।বৰ্তমান সময়ত আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে।ছাগলী চোৰৰ বিষয়টোয়ে বালিজুৰি অঞ্চলত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখযোগ্য যে, বিভিন্ন সময়ত বালিজুৰিকে ধৰি পুৰণিগুদাম আৰক্ষী চকীৰ অধীনৰ বিভিন্ন স্থানৰ পৰা নিশা গৰু চুৰি ঘটনা সংঘটিত হৈ অহাৰ লগতে পথাৰলৈ এৰি দিয়া ছাগলী নাইকিয়া হৈ আহিছে।এনেধৰণৰ ঘটনাৰ লগত সম্ভ্ৰান্ত ঘৰৰ যুৱক জড়িত হোৱাটোৱে সকলোকে চিন্তিত কৰি তুলিছে।

**মুছলপুৰত গাহৰি বিতৰণ কাৰ্যসূচীত বিটিচিৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম**

# ড০ হিমন্ত বিশ্ব শৰ্মাক আকৌ মুখ্যমন্ত্ৰী পাতিবলৈ আমি সাজু

**ই-সংবাদ, মুছলপুৰ, ২৭ নৱেম্বৰঃ** আগন্তুক তিনি মাহৰ ভিতৰত সকলোৱে হাগ্ৰামা মহিলাৰীৰ সংগ এৰিব। তেওঁ দিনত এটা কথা কয়, আকৌ ৰাতি আন এটা কথা কয়। তেওঁৰ কথাৰ কোনো মূল্য নাই। দুই-এজন ঠিকাদাৰ আৰু অনৈতিক কাৰ্যত লিপ্ত হৈ এবছৰ পৰা খেদা খোৱা এজন লোকৰ সৈতে হাগ্ৰামা মহিলাৰীয়ে বিপিএফ দল চলাই আছে।- এই মন্তব্য বিটিচিৰ কাৰ্যবাহী সদস্য তথা ৰাজনৈতিক দল ইউপিপিএলৰ মুখপাত্ৰ ৰাকেশ ব্ৰহ্মৰ। আজি বাক্সাৰ মুছলপুৰত অনুষ্ঠিত বিটিআৰ চৰকাৰৰ পিগ মিছনৰ অধীনত হিতাধিকাৰীৰ মাজত গাহৰি বিতৰণ অনুষ্ঠানত উপস্থিত থাকি এনেদৰে মন্তব্য কৰে কাৰ্যবাহী সদস্যগৰাকীয়ে। তেওঁ লগতে কয় যে হাগ্ৰামা মহিলাৰীৰ দিনত দিন-দুপৰতে কটা-মৰা আদি হৈ আছিল, কিন্তু এতিয়া প্ৰমোদ বড়োৰ দিনত শান্তি স্থাপন হৈছে। সকলোৱে ইউপিপিএল দলক আঁকোৱালি লৈছে। বিপিএফ দলত কোনেও থাকিব নিবিচাৰে। হাগ্ৰামা মহিলাৰীয়ে অকলে দলত থাকিব লাগিব বুলিও তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে কাৰ্যবাহী সদস্য তথা ইউপিপিএলৰ মুখপাত্ৰগৰাকীয়ে। কাৰ্যবাহী সদস্যগৰাকীয়ে লগতে আগন্তুক বিটিচি নিৰ্বাচনৰ বাবে ইউপিপিএল দলে পূৰ্ণোদ্যমে সাজু হৈছে বুলি উল্লেখ কৰি আগন্তুক বিধানসভা নিৰ্বাচন সন্দৰ্ভতো মন্তব্য কৰে। তেওঁ কয় যে বিটিচি নিৰ্বাচনত আমি ইউপিপিএল-বিজেপি মিত্ৰজোঁটে ৪০ খন আসনৰ ৪০ খনেই দখল কৰিবলৈ সক্ষম হ'ম। ইফালে, ২০২৬ ৰ বিধানসভা নিৰ্বাচনত বিজেপি দলক ইউপিপিএলে সহায় কৰি দ্বিতীয়বাৰৰ বাবে ড০ হিমন্ত বিশ্ব শৰ্মাক মুখ্যমন্ত্ৰী পাতিবলৈ আমি সাজু বুলিও মন্তব্য কৰে কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মই। উল্লেখ্য যে, আজিৰ এই অনুষ্ঠানত পশুপালন বিভাগৰ জিলা বিষয়া ডাঃ ভৃগু ভাস্কৰ নাথ, মুছলপুৰ পৰিষদীয় সমষ্টিৰ টিচিএলচিচিৰ অধ্যক্ষ মনেশ্বৰ বসুমতাৰী, মুছলপুৰ ব্লক ইউপিপিএলৰ সভাপতি বাপন বসুমতাৰীকে ধৰি কেবাগৰাকীও ব্যক্তি উপস্থিত থাকে।



কাজিৰঙা অৰ্কিড পাৰ্কত নিৰলে জুবিন গাৰ্গ, ফটো ২৭নৱেম্বৰ ২০২৪ৰ

# এদিনতে ৬টা কামৰ আৰম্ভণি কৰি চমক বিধায়ক আব্দুল বাতিন খন্দকাৰৰ

**ই-সংবাদ, কোকিলা ২৭ নৱেম্বৰ:** বঙাইগাওঁ জিলাৰ উত্তৰ অভয়াপুৰী সমষ্টিৰ বিধায়ক আব্দুল বাতিন খন্দকাৰে একেদিনাই ৬টাকৈ কামৰ শুভাৰম্ভ কৰি চমক দিলে সমষ্টবাসীক। জানিব পৰা মতে মাণিকপুৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ছালাবিলা জনপ্ৰিয় হাইস্কুলৰত AIRDAF আচনিৰ অধীনত ৭ কোটি টকা ব্যয়েৰে আধুনিক বিদ্যালয়ৰ গৃহ নিৰ্মাণৰ কামৰ শুভাৰম্ভ কৰে বিধায়ক আব্দুল বাতিন খন্দকাৰে ।বাশবাৰীছালাবিলা গাওঁ পঞ্চায়ত MGNREGA আঁচনিৰ অধিনত অধীনত ৩ লাখ ৫০ টকাৰ ৰাস্হা ,১ নং বাশবাৰীত MGNREGA আঁচনিৰ ৫ লাখ টকাৰ ৰাস্তা আৰু আউলাগুৰী বজাৰৰ পৰা পশ্চিম পিনে যোৱা ৰাস্তাৰ কামৰ শুভাৰম্ভ কৰে । আৰেলি বাশবাৰী ওচমানী বজাৰ পৰা বালাৰচৰ লৈ MGNREGA আঁচনিৰ ৩ লাখ ৬৩ হাজাৰ টকাৰ ৰাস্হাৰো কামৰ শুভাৰম্ভ কৰে ।সন্ধিয়া চাইলাবাৰী মাদ্ৰাছত বিধায়ক পুঁজিৰ পৰা ৩ লাখ টকা ব্যয়েৰে ছেনেটৈৰী ব্লক ৰাস্হাৰ কামৰ শুৰউদ্বোধন কৰে । ছালাবিলা জনপ্ৰিয় হাইস্কুলৰ সাত কৌটি টকা ব্যয় সাপেক্ষে বিদ্যালয় গৃহটো নিৰ্মাণ কৰিবলগীয়া গৃহটো অত্যাধিক আধুনিক পদ্ধতিৰ সহায়ত নিৰ্মাণ হব বুলি কয়। ছাত্ৰ ছাত্ৰী সকলৰ বাবে আধুনিক শিক্ষা প্ৰদানৰ ব্যৱস্থা থাকিব এই গৃহটোত । এই বিদ্যালয় গৃহৰ কামৰ আবন্টন লাভ কৰে ধুবুৰী জিলাৰ বিলাসীপাৰাৰ গৌতম কনট্ৰাক্শন নামৰ সংস্থাক সঠিক আৰু নিয়মমতে কৰিবলৈ কয় বিধায়কজনে । বিধায়কে কামৰ শুভ আৰম্ভণি স্থলীতে এক সভাত অংশ গ্ৰহণ কৰি কিছু তাৎপৰ্যপূৰ্ণ বক্তব্য দাঙি ধৰে। বিদ্যালয় গৃহৰ ব্যৱস্থা হল এতিয়া শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ বাবে অভিভাৱক, শিক্ষক শিক্ষয়িত্ৰীৰ লগতে SMC ৰ গুৰুত্ব অপৰিসীম। এই অঞ্চলত যাতে এই বিদ্যালয়ে এক সুকীয়া স্থান লাভ কৰে তাৰ প্ৰতি পৰামৰ্শ আগবঢ়ায় বিধায়কজনে। ইয়াৰোপৰি বঙাইগাঁও জিলাত শিক্ষা বিভাগৰ বিভিন্ন শিতানত দূৰ্নীতিৰ শিপাইছে বুলি মন্তব্য কৰে আৰু শিক্ষা বিভাগৰ মন্ত্ৰীৰ আলোচনা কৰিব বুলি প্ৰকাশ কৰে। বিধায়ক গৰাকীৰ এই প্ৰশংসনীয় কামৰ বাবে অঞ্চলৰ ৰাইজে শলাগ লয় ।বিধায়কজনৰ লগতে শুভাৰম্ভ অনুষ্ঠানত একাংশ বিষয়া-কৰ্মচাৰী উপস্থিত থাকে ।ৰাইজৰ লগত মতবিনিময় কৰোতে চৰকাৰক সমালোচনা কৰে বিধায়ক আব্দুল বাতিন খন্দকাৰে ।

## আগমনিত চোৰাং চাউল কঢ়িওৱা বাহন জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ২৭ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি চাৰিআলিত কালি সন্ধিয়া সাংবাদিকৰ খবৰৰ ভিত্তিত আৰক্ষীয়ে চোৰাং চাউল কঢ়িওৱা বাহন জব্দ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, আগমনি থানাৰ খেৰবাৰীৰে পশ্চিমবংগলৈ চোৰাং চাউলৰ চলিছে অবৈধ চালান। ধুবুৰী জিলাৰ বিভিন্ন সমবায় সমিতিত দৰিদ্ৰ ৰাইজৰ বাবে আবণ্টিত খাদ্য অসামৰিক যোগান বিভাগৰ চাউল নিশাৰ ভাগত গোপনে বলেৰ' পিকআপ ভানত ভৰ্তি কৰি আগমনি, কালডোবা, খেৰবাৰী হৈ পশ্চিমবংগ লৈ প্ৰেৰণ কৰে। এইক্ষেত্ৰত ছিণ্ডিকেট চলাইছে কালডোবাৰ জনৈক ৰতন নামৰ চাউলৰ চোৰাং ব্যৱসায়ীজনে। নিতৌ নিশাৰ ভাগত চাউল কঢ়িওৱা বাহনসমূহ গৈ আছে যদিও নিৰ্লিপ্ত ভূমিকাৰ বাবে আৰক্ষী সমালোচিত হৈছে। কালি নিশা আঠ বজাত WB-69 A-3831 নম্বৰৰ চোৰাং চাউল কঢ়িওৱা বলেৰ' পিকআপ ভান এখন সাহেবগঞ্জৰ পৰা আগমনি হৈ পশ্চিমবংগ অভিমুখে গৈ আছিল। স্থানীয় সাংবাদিকে আগমনি চাৰিআলিত কৰ্তব্যৰত যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীক অৱগত কৰাত ততালিকে বাহনখন জব্দ কৰি আগমনি থানালৈ আনে। বাহনখনৰ পৰা ২৫ বস্তা চাউল জব্দ কৰাৰ লগতে দুজনক আটক কৰে। আটকাধীন লোক দুজন পশ্চিমবংগৰ বক্সিৰহাট থানাৰ অন্তৰ্গত ছোটোলাউকুটীৰ আবুল হুছেইন আৰু জাকিৰ আলী বুলি জানিব পৰা গৈছে।



নৰ্থ ইষ্ট পেৰা স্পৰ্টছ মীট-২০২৪ৰ উদ্বোধনী অনুষ্ঠানত মন্ত্ৰী পীযুষ হাজৰিকা

### কুৰি দিনে খা-খবৰ নাই অপহৃতা কন্যাৰ

## টকা নিদিয়াৰ বাবে সহযোগ নকৰে আৰক্ষী, দল-সংগঠনে

**ই-সংবাদ, গোলকগঞ্জ, ২৭ নৱেম্বৰঃ** ধুবুৰী জিলাৰ আগমনি থানাৰ অন্তৰ্গত বেলগুৰি দ্বিতীয় খণ্ড গাঁৱৰ পৰা যোৱা ছয় নৱেম্বৰৰ সন্ধিয়া অপহৰণ হোৱা যুৱতী এগৰাকীৰ কুৰি দিনে সন্ধান নোপোৱাত ভাগি পৰিছে পৰিয়ালৰ লোক। টকা দিব নোৱাৰাৰ বাবেই আৰক্ষী আৰু দল-সংগঠনে গুৰুত্ব নিদিয়া ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ৰতিয়াদহ প্ৰথম খণ্ড গাঁৱৰ সুৰেশ ৰায়ৰ পুত্ৰ সুশান্ত ৰায় ৰাজমিস্ত্ৰীৰ কাম কৰিছিল বেলগুৰিৰ প্ৰথম খণ্ড গাঁৱৰ এঘৰত। অতি কম সময়ৰ ভিতৰতে সু-সম্পৰ্ক হয় ঘৰৰ মালিকৰ একমাত্ৰ কন্যাৰ লগত। যোৱা ছয় নৱেম্বৰৰ সন্ধিয়া যুৱতীগৰাকীক ফুচলাই অপহৰণ কৰে। ওচৰ-পাজৰৰ বজাৰ, বাছ আস্থান, ৰে'ল ষ্টেচন সকলোতে বিচাৰি ফুৰিও কোনো সন্ধান নাপায় যুৱতীগৰাকীৰ। উপায়ন্তৰ হৈ পৰিয়ালৰ লোকে আগমনি থানাত সুশান্তৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। আঠ নৱেম্বৰত স্থানীয় ৰাইজৰ লগতে সদৌ অসম গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ধুবুৰী জিলা সমিতিৰ উচ্চ পৰ্যায়ৰ দল এটা আগমনি থানাৰ ভাৰপ্ৰাপ্ত বিষয়াক সাক্ষাৎ কৰি শীঘ্ৰে যুৱতীগৰাকীক উদ্ধাৰৰ দাবী জনায়। চব্বিশ ঘণ্টাৰ ভিতৰত অপহৃতাক উদ্ধাৰ কৰিব নোৱাৰিলে আন্দোলনৰো ভাবুকি দিয়ে। কিন্তু আজি কুৰিটা দিন উকলি যোৱাৰ পিছতো খা-খবৰ নাই যুৱতীগৰাকীৰ। ছোৱালীৰ সন্ধান বিচাৰি পিতৃয়ে তাত-বাটি কৰিছে আগমনি থানা। শোকাকুল পিতৃৰ অভিযোগ টকা দিব নোৱাৰাৰ বাবে আগমনি আৰক্ষীৰ লগতে কোনো দল-সংগঠনেও বৰ্তমান গুৰুত্ব নিদিয়ে। দুৰ্ভগীয়া পিতৃৰ কাতৰ আহ্বান কন্যা যাৰ লগত যাব বিচাৰে যাওক, কিন্তু এবাৰ স্বচক্ষে চাব বিচাৰে জীয়াই আছে নে নাই।




চাবুৱাত বিধায়ক পোনাকণ বৰুৱাৰ উপস্থিতিত অগপত যোগদান লাহোৱালৰ কংগ্ৰেছৰ ৰঞ্জিত কোঁৱৰৰ

## মৰিগাঁও আৰক্ষীৰ অভিযানত জব্দ বহু চুৰি সামগ্ৰী

**ই-সংবাদ, মৰিগাঁও, ২৭ নৱেম্বৰঃ** মৰিগাঁও নগৰৰ মাজমজিয়াত যোৱা নিশা আৰক্ষীয়ে এক অভিযান চলাই বহু সংখ্যক চুৰি সামগ্ৰী উদ্ধাৰ কৰে। প্ৰাপ্ত তথ্য মতে, মৰিগাঁও সদৰ থানাৰ আৰক্ষীয়ে যোৱা নিশা চহৰখনৰ মৰিমুচলিম গাঁৱৰ সৰুতি আলী নামৰ লোকজনৰ ঘৰত এক অভিযান চলায়। এই অভিযানত আৰক্ষীয়ে ১৫ খন চাইকেল, ৪ টা ঘৰুৱা ৰন্ধন গেচৰ চিলিণ্ডাৰ, দুটা দমকলৰ লগতে বৃহৎ পৰিমাণৰ ৰোড জব্দ কৰে। জব্দকৃত সামগ্ৰীসমূহ এটি চুৰি চক্ৰই বিভিন্ন স্থানৰ পৰা চুৰি কৰি আনি উক্ত স্থানত মজুত কৰি ৰখা বুলি অভিযোগ উঠিছে। আনহাতে, ৰহস্যজনকভাৱে আৰক্ষীৰ অভিযানৰ উমান পাই সৰুতি আলীৰ লগতে তেওঁৰ ঘৰৰ সকলো সদস্যই পলায়ন কৰে।

## নলবাৰীত অগপৰ কাৰ্যনিৰ্বাহক-সাধাৰণ সভাৰ আয়োজন

**ই-সংবাদ, নলবাৰী, ২৭ নৱেম্বৰঃ** অসম গণ পৰিষদৰ নলবাৰী বিধানসভা সমষ্টিৰ অহা ১ ডিচেম্বৰত বিয়লি ২.০০ বজাত দেশপ্ৰাণ নগেন শৰ্মা ভৱনত এখন বৰ্ধিত কাৰ্যনিৰ্বাক সভাৰ আয়োজন কৰিছে। সভাত যোৱা ৩ নৱেম্বৰত অনুষ্ঠিত হৈ যোৱা আঞ্চলিক সমিতিৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভাৰ ওপৰত আৰু পৰ্যবেক্ষক, অভিভাৱক সদস্যৰ লগত আলোচনা, অহা ২৯ ডিচেম্বৰত অনুষ্ঠিত হ'ব লগা সমষ্টি সমিতিৰ সাধাৰণ সভা সন্দৰ্ভত আলোচনা, দেশপ্ৰাণ নগেন শৰ্মাৰ প্ৰতিমূৰ্তি নিৰ্মাণ সন্দৰ্ভত আলোচনা, দেশপ্ৰাণ নগেন শৰ্মাৰ ২৫ সংখ্যক মৃত্যু দিৱস পালন সন্দৰ্ভত আলোচনা কৰা হ'ব বুলি সমষ্টি সমিতিৰ সভাপতি সনাতন ৰাজবংশী আৰু সম্পাদক কমল চন্দ্ৰ দাস আৰু ব্ৰজেন শৰ্মাই জানিবলৈ দিছে। আনহাতে, অহা ৮ ডিচেম্বৰত দেশ প্ৰাণ নগেন শৰ্মা ভৱনত অগপৰ নলবাৰী নগৰ সমিতিৰ এখন সাধাৰণ সভাৰ আয়োজন কৰিছে। কাৰ্যসূচীৰ আৰম্ভণিতে পুৱা ৯.০০ বজাত পতাকা উত্তোলন কৰিব অগপৰ নগৰ সমিতিৰ সভাপতি নবাব মুস্তাক আহমেদে। শ্বহীদ তৰ্পণ কৰিব প্ৰাক্তন ছাত্ৰনেতা ব্ৰজেন ডেকাই আৰু মাল্যাৰ্পণ কৰিব জ্যেষ্ঠ অগপ কৰ্মী দ্বীপ চৌধুৰীয়ে। দেশপ্ৰাণ নগেন শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰিব অগপৰ নলবাৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক কনকেশ্বৰ দাসে আৰু মাল্যাৰ্পণ কৰিব নলবাৰী নগৰ সমিতিৰ প্ৰাক্তন সম্পাদক ৰমেশ ৰাজবংশীয়ে। ইয়াৰ পিছতেই সতীৰ্থ সোঁৱৰণ অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰিব অগপৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য মনোজ

কুমাৰ শৰ্মা, নগৰ সমিতিৰ প্ৰাক্তন সভাপতি কমলাকান্ত শীলে, মাল্যাৰ্পণ কৰিব অগপৰ নগৰ সমিতিৰ সম্পাদক যতীন্দ্ৰ নাথ বৈশ্যই। পুৱা ১০.১৫ বজাত প্ৰতিনিধি পঞ্জীয়ন। প্ৰতিনিধি, বিষয় বাছনি সভা আৰু সম্বৰ্ধনা সভা উদ্বোধন কৰিব অগপৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আক্ৰাম হুছেইনে।

# পঞ্চায়ত নিৰ্বাচনক লৈ চাবুৱা লাহোৱাল সমষ্টিত তৎপৰ অসম গণ পৰিষদ

**চাবুৱা-লাহোৱাল, ২৭ নৱেম্বৰ:** চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাৰ কাম কাজৰ প্ৰতি আকৰ্ষিত হৈ অসম গণ পৰিষদৰ চাবুৱা-লাহোৱাল সমষ্টিৰ মুখ্য কাৰ্যালয়ত লাহোৱাল আঞ্চলিক পঞ্চায়তৰ প্ৰাক্তন সভাপতি, কংগ্ৰেছৰ জ্যেষ্ঠ নেতা, বৰ্তমানৰ লাহোৱাল সমবায় সমিতিৰ সভাপতি ৰঞ্জিত কোঁৱৰে অসম গণ পৰিষদ দলত যোগদান কৰে। আগন্তোক পঞ্চায়ত নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি চাবুৱা সমষ্টিৰ বিধায়ক পোনাকণ বৰুৱাই চাবুৱা আৰু লাহোৱালৰ বিভিন্ন প্ৰান্তত গাঁও সমূহত দলৰ সাংগঠনিক ভেটি শক্তিশালী কৰিবলৈ তৎপৰ হৈ পৰিছে। সংবাদ মাধ্যমৰ পৰা আতৰত থাকি বিধায়কগৰাকীয়ে অব্যাহত ৰাখিছে যোগদান কাৰ্যসূচী। অন্যহাতেদি পূৰ্বৰ লাহোৱাল সমষ্টি আৰু বৰ্তমানৰ চাবুৱা-লাহোৱাল সমষ্টিত অসম গণ পৰিষদৰ সাংগঠনিক ভেটি অধিক তৎপড়তাৰে বৃদ্ধি কৰি তুলিছে বিধায়ক পোনাকণ বৰুৱাই।

# সাংবাদিক দিবাকৰ দত্ত, তপন কুমাৰ শইকীয়াক জাৰ্নেলিষ্ট ইউনিয়নৰ বিশেষ দায়িত্ব



**ই-সংবাদ, ডিব্ৰুগড়, ২৭ নৱেম্বৰঃ** ডিব্ৰুগড় জিলাৰ চাবুৱা অঞ্চলৰ দুই সক্ৰিয় সাংবাদিকক গুৰু দায়িত্ব প্ৰদান কৰিছে সৰ্বভাৰতীয় সাংবাদিক সস্থা অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নে। সাংবাদিক সমাজৰ হকে সদা কাম কৰি অহা তথা সাংবাদিকৰ অধিকাৰৰ হকে কাম কৰা দুই সাংবাদিকক বিশেষ প্ৰদান কৰিছে দেশৰ অগ্ৰণী সাংবাদিক সস্থাটোৱে। অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নে উজনি অসমৰ ডিব্ৰুগড় জিলাৰ দুই সাংবাদিক তপন কুমাৰ শইকীয়া আৰু দিবাকৰ দত্তক দায়িত্ব প্ৰদান কৰিছে। দিবাকৰ দত্তক অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ ডিব্ৰুগড় জিলা সমিতিৰ সভাপতি আৰু তপন কুমাৰ শইকীয়াক মুখ্য সম্পাদকৰ দায়িত্ব প্ৰদান কৰিছে। দিবাকৰ দত্তই বৰ্তমান এন কে টিভি, দৈনন্দিন বাৰ্তা কাকত কাম কৰি থকাৰ লগতে তপন কুমাৰ শইকীয়াই আছাম টকছত কৰ্মৰত হৈ আছে। দিবাকৰ দত্ত আৰু তপন কুমাৰ শইকীয়াই এনে দায়িত্ব প্ৰদান কৰাত অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নৰ উত্তৰ পূৰ্বাঞ্চলৰ সভাপতি ড০ কুকিল বৰুৱা আৰু অসম ৰাজ্যিক সমিতিৰ সভাপতি প্ৰকাশ কায়স্থক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে। জিলাখনৰ দুজনকৈ দায়িত্বশীল সাংবাদিকক অল ইণ্ডিয়া জাৰ্নেলিষ্ট ইউনিয়নে এই দায়িত্ব প্ৰদান কৰাত জিলাখনৰ সাংবাদিক সমাজে ধন্যবাদ জ্ঞাপন কৰিছে।

# চাবুৱাৰ নাও দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মনোজৰ গৃহত বিধায়ক পোনাকণ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৭ নৱেম্বৰঃ** ডিব্ৰুগড় জিলাৰ চাবুৱাৰ দিনজানত সংঘটিত নাও দুৰ্ঘটনাত পতিত লোকৰ প্ৰাণ ৰক্ষা কৰিবলৈ গৈ হৃদয়হীন লোকৰ প্ৰহাৰত নদীত উটি গৈ মৃত্যুক আকোৱালি লোৱা মনোজ পইৰয়াৰ ঘৰত আজি উপস্থিত হয় বিধায়ক পোনাকণ বৰুৱা। মনোজৰ পৰিয়ালৰ সৈতে মত-বিনিময়ত কৰি সমবেদনা জ্ঞাপন কৰে বিধায়ক পোনাকণ বৰুৱাই। চৰকাৰৰ হৈ দুই লাখ টকা চেক প্ৰদান কৰি দুৰ্ভগীয়া পৰিয়ালটোক সহায়-সহযোগ কৰাৰ আশ্বাস প্ৰদান কৰে বিধায়কগৰাকীয়ে। ডিব্ৰু নৈত নাওৰ পৰা সৰি পৰা লোকৰ প্ৰাণ ৰক্ষা কৰা পইৰয়াক শেষত নাৱত উঠিবলৈ দিয়া হোৱা নাছিল। ফলত নৈত উটি সন্ধানহীন হৈ পৰিছিল মনোজ পইৰয়া। এছডিআৰএফে ঢকুৱাখনাৰ উদ্ধাৰ কৰিছিল মনোজৰ মৃতদেহ। ইতিমধ্য ঘটনাত জড়িত এজন আটক কৰি জেললৈ প্ৰেৰণ কৰিছে




আৰক্ষীয়ে। বিধায়ক পোনাকণ বৰুৱাই চাবুৱাৰ দিনজানত সংঘটিত নাও দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা মনোজ পইৰয়াৰ পৰিয়ালটোৰ খবৰ লোৱাত শলাগ লৈছে ৰাইজে।

# অমৰপুৰ ৰাইজৰ কাষত দলে-বলে তিনিচুকীয়া জিলা আয়ুক্ত,বিধায়ক

**ই-সংবাদ, ডুমডুমা, ২৭ নৱেম্বৰঃ** তিনিচুকীয়া জিলাৰ আয়ুক্ত স্বপনীল পালে আজি দিনজোৰা ভ্ৰমণসূচীৰে ৮১ নং শদিয়া বিধানসভা সমষ্টিৰ ৰাইজৰ সৈতে একাধিক সভাত মিলিত হোৱাৰ উপৰি বহু চৰকাৰী আঁচনি পৰিদৰ্শন কৰে। আয়ুক্তগৰাকীয়ে পুৱা ৯.৩০ বজাত অমৰপুৰ ঘাটত অনুষ্ঠিত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰে। বিধায়ক বলীন চেতিয়া উপস্থিত থকা সভাখনত ৰাইজৰ ওজৰ-আপত্তিৰ বুজ লোৱাৰ লগতে জিলা আয়ুক্তগৰাকীয়ে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ দ্বাৰা ৰূপায়িত বিভিন্ন ধ্বজাবাহী আঁচনিৰ বিষয়ে ৰাইজক অৱগত কৰে আৰু ইয়াৰ সুবিধাসমূহ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ৰাইজৰ দাবীৰ প্ৰতি সঁহাৰি জনাই তেওঁ জিলাখনৰ গাঁওসমূহৰ জৰীপৰ কাম সোনকালেই আৰম্ভ কৰাৰ আশ্বাস প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীৰ সৈতে জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস আৰু শদিয়া উপ-জিলাৰ আয়ুক্ত মানসজ্যোতি নাথ, বিদ্যালয়সমূহৰ পৰিদৰ্শক তথা জিলা প্ৰাথমিক শিক্ষা বিষয়া, খাদ্য আৰু অসামৰিক যোগান বিভাগৰ ভাৰপ্ৰাপ্ত উপ-সঞ্চালক, শদিয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া, শদিয়া উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া, ছেঁখোৱাৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া, জল সম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা আদিৰ উপৰি স্বাস্থ্য, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, কৃষি আৰু বিদ্যুৎ বিভাগৰ বিষয়াসকল উপস্থিত থাকে। সভাৰ পিছতে জিলা আয়ুক্ত পালে বিধায়ক বলীন চেতিয়াৰ সৈতে অমৰপুৰৰ ন-দিহিং উচ্চ মাধ্যমিক বিদ্যালয় পৰিদৰ্শন কৰে। তেওঁ বিদ্যালয়খনত নতুনকৈ নিৰ্মাণ হৈ থকা বিদ্যালয় ভৱনটিৰ কামৰ অগ্ৰগতিৰো বুজ লয়। ইয়াৰ পূৰ্বে তেওঁ নাৱেৰে গৈ অমৰপুৰৰ চাপৰি অঞ্চলত থকা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটিও পৰিদৰ্শন কৰে। বিয়লি শদিয়া সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সজাগতামূলক ৰাজহুৱা সভাতো তেওঁ সভাপতিত্ব কৰে। সভাত জিলা আয়ুক্তগৰাকীয়ে মিছন বসুন্ধৰা ৩.০ আঁচনিৰ সবিশেষ ব্যাখ্যা দাঙি ধৰি যিসকল খিলঞ্জীয়া লোকে মাটিৰ পট্টাৰ পৰা বঞ্চিত হৈ আছে তেওঁলোকক অনলাইন যোগে আবেদন দাখিল কৰিবলৈ আহ্বান জনায়। তেওঁ এই সম্পৰ্কত ৰাইজৰ বিভিন্ন প্ৰশ্নৰ উত্তৰ দি সন্দেহ দূৰ কৰাৰ প্ৰয়াস কৰে। সভাত বিধায়ক বলীন চেতিয়াই খিলঞ্জীয়া ৰাইজৰ ভূমি অধিকাৰৰ বিষয়ে উল্লেখ কৰি চৰকাৰৰ এই পদক্ষেপত পূৰ্ণ সহযোগ কৰাৰ বাবে ৰাইজৰ প্ৰতি আহ্বান জনায়।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# ডিব্ৰুগড়ত মিতভাষৰ স্ৰষ্টা ডঃ নগেন শইকীয়ালৈ ‘ৰামানুজন শিক্ষক বঁটা ২০২৪’ প্ৰদান

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ নৱেম্বৰঃ** প্ৰথিতযশা সাহিত্যিক, শিক্ষাবিদ, সাহিত্য একাডেমি ফেল’ সন্মানপ্ৰাপক তথা মিতভাষৰ স্ৰষ্টা ড° নগেন শইকীয়াক আজি (২৭-১১-২৪) অসমৰ এখন নামজ্বলা শিক্ষানুষ্ঠান নগাঁওস্থিত ৰামানুজন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে "ৰামানুজন শিক্ষক বঁটা- ২০২৪"প্ৰদান কৰে। ডিব্ৰুগড়ৰ সাহিত্যিক গৰাকীৰ বাসভৱন ‘আশ্ৰয়'ত এই বঁটা প্ৰদান কৰে শিক্ষানুষ্ঠানটিৰ হৈ অধ্যক্ষ দিলীপ কুমাৰ বৰা, উপাধ্যক্ষ সংগীতা বৰুৱা বৰা আৰু শিক্ষয়িত্ৰী ত্ৰিবেণী শৰ্মাই। শিক্ষানুষ্ঠানটিয়ে সাহিত্যিক গৰাকীক ফুলাম গামোচা, গৰম বস্ত্ৰ, তিনিটা স্মাৰক আৰু ১০,০০০/-(দহ হেজাৰ) টকাৰ চে’কসহ প্ৰশংসাপত্ৰ প্ৰদান কৰি এই সম্বৰ্ধনা জ্ঞাপন কৰে। উল্লেখ্য যে শিক্ষক দিৱস উপলক্ষে চলিত বৰ্ষত শিক্ষানুষ্ঠানটিয়ে ড° শইকীয়াৰ লগতে বিশিষ্ট শিক্ষাবিদ, সাহিত্যিক ড° উপেন ৰাভা হাকাচাম, নগাঁও কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ মহেন্দ্ৰ আহোমক এই বঁটা প্ৰদানৰ কথা ঘোষণা কৰিছিল। কিন্তু উক্ত দিনা শাৰিৰীক অসুস্থতাৰ হেতুকে নগাঁৱত বঁটা গ্ৰহণ কৰিব নোৱাৰাৰ বাবে আজি ড০ শইকীয়াৰ বাসগৃহত আহি শিক্ষানুষ্ঠানটিৰ তৰফৰ পৰা এই বঁটা প্ৰদান কৰা হয়। শিক্ষানুষ্ঠানটিৰ হৈ অধ্যক্ষ বৰুৱাই শইকীয়াৰ দৰে এগৰাকী ব্যক্তিক এই বঁটা প্ৰদান কৰিবলৈ পাই ধন্য মানিছো বুলি উল্লেখ কৰি অসমৰ জাতীয় জীৱনৰ হকে তেখেতে নিজস্ব লেখনিৰে অধিক অৱদান আগবঢ়াই যাব বুলি আশা প্ৰকাশৰ লগতে সুস্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰে। আনহাতে নিজৰ অনুভৱ ব্যক্ত কৰি প্ৰথিতযশা সাহিত্যিক গৰাকীয়ে কয় যে ৰাজ্যৰ এখনি নামজ্বলা শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠিত ‘ৰামানুজন’ৰ দ্বাৰা প্ৰদান কৰা এই বঁটাৰ বাবে এগৰাকী শিক্ষক হিচাপে মই আনন্দ অনুভৱ কৰাৰ লগতে নিজে প্ৰতিষ্ঠানটোত উপস্থিত হৈ গ্ৰহণ কৰিবপৰা হ’লে অধিক আনন্দ লাভ কৰিলোহেঁতেন। তদুপৰি ইমান দূৰৰ পৰা আহি বিশেষকৈ শিক্ষকতাৰ দৰে মহান বৃত্তিৰ লগত জড়িত এই বঁটা প্ৰদান কৰাৰ বাবে মই কৃতজ্ঞবোধ কৰিছো বুলিও তেওঁ বক্তব্যত উল্লেখ কৰে। উক্ত অনুষ্ঠানত অধ্যাপক নগেন শইকীয়া সাৰস্বত ন্যাস পৰিষদৰ সভাপতি তথা ডিব্ৰুগড় আৰু নগাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° কন্দৰ্প কুমাৰ ডেকা, ন্যাসৰ সদস্যা তথা বিশিষ্ট কবি, সাহিত্যিক ড° কৰবী ডেকা হাজৰিকা, সম্পাদক বীৰেন বৰুৱা, প্ৰচাৰ সচিব ৰতন হাজৰিকা আৰু সাহিত্যিকগৰাকীৰ সহধৰ্মিনী লাৱণ্য শইকীয়া উপস্থিত থাকে। ন্যাসৰ তৰফৰ পৰা ৰামানুজন উচ্চ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষক সম্বৰ্ধিত ব্যক্তিগৰাকীৰ দ্বাৰা লিখিত গ্ৰন্থ ‘অসমীয়া মানুহৰ ইতিহাস’ প্ৰদান কৰি আদৰণি জ্ঞাপন কৰা হয়।

# নগাঁৱত অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে ওলাই আহিল মুছলমান সমাজ



**ই-সংবাদ, বেবেজীয়া, ২৭ নৱেম্বৰঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাতো অব্যাহত আছে নিষিদ্ধ ড্ৰাগছৰ প্ৰচলন। ফলত সামাজিক, শৈক্ষিক পৰিৱেশ কলুষিত হৈ পৰাৰ বিপৰীতে ইয়াৰ গ্ৰাসত পৰি একাংশ নৱপ্ৰজন্মৰ জীৱন ধ্বংসৰ মুখে গতি কৰিছে। এনে পৰিস্থিতিত অতিষ্ঠ হৈ পৰা নগাঁৱৰ গঞাৰাইজ মাৰবান্ধি ওলাই আহিল ৰাজপথলৈ। উত্তাল কৰিলে গ্ৰামাঞ্চলৰ পৰিৱেশ। উল্লেখ্য যে, জিলাখনৰ উত্তৰ-পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলবোৰ ড্ৰাগছে ব্যাপকভাৱে ছানি ধৰিছে। গ্ৰাস কৰিছে ইখনৰ পিছত সিখন গাঁও। সেয়ে ইয়াৰ বিৰুদ্ধে বুধবাৰে জুৰীয়াৰ চতিয়ান আৰু দলনি জুৰীয়া গাঁওবাসীয়ে বৃহৎ প্ৰতিবাদ সাৰ্বস্ত কৰে। সহস্ৰাধিক লোক একত্ৰিত হৈ হাতে হাতে ড্ৰাগছ বিৰোধী বেনাৰ, ফেষ্টুন, প্লে’কাৰ্ড আদি লৈ ওলাই আহে ৰাজপথলৈ। আচলতে, ভয়াৱহভাৱে বৃদ্ধি পোৱা জীৱন ধ্বংসকাৰী ড্ৰাগছকে প্ৰমুখ্য কৰি শিশু শ্ৰমিক, বাল্য বিবাহ আদি অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে তহফিজুল কোৰাণ চতিয়ান মাদ্ৰাছা আৰু দলনী জুৰীয়া তবলিগী হালকাৰ যৌথ উদ্যোগত এইদৰে ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। পুৱাতেই মাদ্ৰাছাৰ শিক্ষাৰ্থী আৰু সচেতন ৰাইজে সজাগতা ৰেলীৰ জৰিয়তে 'ড্ৰাগছ সেৱনকাৰী হুচিয়াৰ', 'ড্ৰাগছ সৰবৰাহ বন্ধ কৰক', 'বাল্য বিবাহ বন্ধ কৰক', 'শিশু শ্ৰমিক বন্ধ কৰক' আদি বিভিন্ন শ্ল'গানেৰে সমগ্ৰ অঞ্চলটো পৰিভ্ৰমণ কৰি গ্ৰামাঞ্চলৰ আকাশ-বতাহ কঁপাই তোলে। এই প্ৰতিবাদী কাৰ্যসূচীত ভাগ লৈ মাদ্ৰাছাখনৰ অধ্যক্ষগৰাকীয়ে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে অসামাজিক কাৰ্যকলাপৰ বিৰুদ্ধে সচেতন হ'বলৈ আহ্বান জনায়। অসামজিক কাৰ্যকলাপৰ বিৰুদ্ধে এনেদৰে সজাগতা অৱলম্বন কৰা কাৰ্যৰ শলাগ লৈছে নগঞা সচেতন মহলে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰঙিয়াৰ প্ৰেগমেটিক একাডেমীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থা গঠনৰ প্ৰস্তুতি

**ই-সংবাদ, ৰঙিয়া, ২৭ নৱেম্বৰঃ** ৰঙিয়াৰ আগশাৰীৰ শিক্ষানুষ্ঠান প্ৰেগমেটিক একাডেমী ছেকেণ্ডাৰী স্কুলৰ প্ৰাক্তন শিক্ষাৰ্থীক সামৰি প্ৰেগমেটিক একাডেমী প্ৰাক্তন ছাত্ৰ ছাত্ৰী সংস্থা গঠনৰ ব্যাপক প্ৰস্তুতি হাতত লোৱা হৈছে। প্ৰেগমেটিক একাডেমীৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সংস্থা গঠনৰ লগতে পৰৱৰ্তী সময়ত গ্ৰহণ কৰিবলগীয়া কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰাৰ বাবে অহা ১ ডিচেম্বৰত এখন সভা আহ্বান কৰা হৈছে।

# নগাঁও জিলা আহোম সভাৰ চ্যুকাফা দিৱসৰ আয়োজন

**ই-সংবাদ, বেবেজীয়া, ২৭ নৱেম্বৰঃ** সদৌ অসম আহোম সভাৰ নগাঁও জিলা সমিতিৰ উদ্যোগত তথা ওপৰ পাঠৰী(দেওধৰ) আঞ্চলিক আহোম সভাৰ সহযোগত অহা ২ ডিচেম্বৰত বৰপাঠৰী বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে ৭৯৬ সংখ্যক চ্যুকাফা দিৱস(অসম দিৱস)ৰ আয়োজন কৰা হৈছে। প্ৰকাশিত কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পৰিৱেশ নিৰাকৰণ, বন্তি প্ৰজ্বলন, খ্ৰিংফা উত্তোলন, চ্যাও ল্যুং চ্যুকাফাৰ প্ৰতিচ্ছবি উন্মোচন, মাল্যবৰণ, পুষ্পাঞ্জলি অৰ্পণ আৰু মৈদাম তৰ্পণৰ অন্তত ছাত্ৰ-ছাত্ৰীৰ মাজত কবিতা আবৃত্তি আৰু ৰচনা প্ৰতিযোগিতা অনুষ্ঠিত হ’ব। বিয়লি মুকলি সভা আৰু সাংস্কৃতিক অনুষ্ঠানৰ পিছতে খ্ৰিংফা অৱতৰণৰ লগতে সন্ধিয়া ঘৰে ঘৰে বন্তি প্ৰজ্বলন কৰা হ’ব। উল্লেখ্য যে, কবিতা আবৃত্তি প্ৰতিযোগিতাৰ বাবে ৬-৮ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিষয় হৈছে 'সতী জয়মতী', ৯-১২ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'লাচিত বৰফুকন' আৰু ১৩-১৬ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে 'গড়গাঁও' নিৰ্ধাৰণ কৰা হৈছে। ঠিক সেইদৰে ৰচনা প্ৰতিযোগিতাত 'ক' শাখা ১৫-১৮ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিষয় হৈছে- 'বৃহত্তৰ অসম আৰু অসমীয়াৰ জাতি গঠন প্ৰক্ৰিয়াত স্বৰ্গদেউসকলৰ অৱদান' নাইবা 'বৃহত্তৰ অসম আৰু অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত চ্যাও ল্যুং চ্যুকাফাৰ অবদান' আৰু 'খ' শাখা ১২-১৪ বছৰ বয়সৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিষয় হৈছে- 'লাচিত বৰফুকনৰ দেশপ্ৰেম আৰু অসমীয়া জাতিৰ উত্তৰণ'। প্ৰতিযোগীসকলে ৰচনাসমূহ নিজৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ দ্বাৰা স্বাক্ষৰ কৰি পঠাব লাগিব। ৰচনাসমূহ শাখা অনুযায়ী ক্ৰমে ৫০০ আৰু ৪০০ শব্দৰ ভিতৰত অসমীয়া ভাষাত টাইপিং অথবা ফটো আকাৰত PDF কৰি নিজৰ পৰিচয় পত্ৰসহ 99576-03242, 99574-19257, 86386-48042 আৰু 99548-35503 ৱাটছআপ নম্বৰত প্ৰেৰণ কৰিব পাৰিব। ৰচনা জমা দিয়াৰ অন্তিম তাৰিখ হৈছে ৩১ ডিচেম্বৰ। ফলাফল অহা ২০ জানুৱাৰীত ঘোষণা কৰা হ'ব আৰু বিজয়ী প্ৰতিযোগীসকলক ৩১ জানুৱাৰীত অনুষ্ঠিত হ’বলগীয়া নগাঁও জিলা আহোম সভাৰ বিশেষ কাৰ্যসূচীত বঁটা আৰু মানপত্ৰ প্ৰদান কৰা হ'ব বুলি নগাঁও জিলা আহোম সভাৰ সাধাৰণ সম্পাদক মহেন্দ্ৰজিৎ বৰুৱাই জানিবলৈ দিছে।

# ছিপাঝাৰ মহাবিদ্যালয় নিৰ্বাচনক লৈ পিছত দুই ছাত্ৰ সংগঠনৰ খণ্ড যুদ্ধ

**ই-সংবাদ, ছিপাঝাৰ, ২৭ নৱেম্বৰঃ** নিৰ্বাচনকেন্দ্ৰিক সংঘাতক লৈ মঙলবাৰে মাজনিশা ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত দুই ছাত্ৰ সংগঠনৰ মাজত সংঘটিত খণ্ড যুদ্ধই ছাত্ৰ ৰাজনীতিৰ কুটিল স্বৰূপ উদঙাই দিছে দৰং জিলাৰ ছিপাঝাৰত। জিলাখনৰ আগশাৰীৰ মহাবিদ্যালয়খনৰ ছাত্ৰ ৰাজনীতিয়ে সংঘাতৰ ৰূপ লোৱাক লৈ উদ্বিগ্ন হৈ পৰিছে শৈক্ষিক মহল। উল্লেখ্য যে, মঙলবাৰে ছিপাঝাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল ছাত্ৰ একতা সভাৰ নিৰ্বাচন। উক্ত নিৰ্বাচনত অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ১০ গৰাকী আৰু সদৌ অসম ছাত্ৰ সন্থাৰ এগৰাকী প্ৰাৰ্থী বিজয়ী হৈছিল। ভোট গণনাত পলম হোৱা বাবে দুয়োটা ছাত্ৰ সংগঠনে নিশা পৃথকে পৃথকে ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথত সমদল উলিয়ায়। অভিযোগ অনুসৰি ইয়াৰ ছহিদ ভৱনৰ সমীপত ছাত্ৰ সন্থাৰ সদস্যই বিদ্যাৰ্থী পৰিষদৰ সমদলৰ ওচৰত ফটকা ফুটায়। ইয়াতে ক্ষুণ্ণ হৈ বিদ্যাৰ্থী পৰিষদৰ সদস্যই বিপক্ষক জবাবদিহি কৰিবলৈ যাওঁতে ছহিদ ভৱনৰ ভিতৰৰ পৰা কোনোবাই ইটাৰ টুকুৰা আৰু শিলেৰে আক্ৰমণ কৰে। লগে লগে পৰিৱেশ উত্তপ্ত হয় আৰু দুই পক্ষই যুঁযুধান হৈ হতাহতিত লিপ্ত হয়। আনকি নিৰাপত্তাৰ দিশ চম্ভালি থকা আৰক্ষীৰ লগতো তীব্ৰ বাক-বিতণ্ডাত লিপ্ত হয়। অৱশ্যে পিছত ছিপাঝাৰ আৰক্ষীয়ে দুই পক্ষকে ক্ষান্ত কৰে।

## বৰমাত উন্নয়নমূলক কামৰ আধাৰশিলা স্থাপন বিটিআৰ প্ৰধান প্ৰমোদ বড়োৰ



**ই-সংবাদ, বৰমা, ২৭ নৱেম্বৰঃ** দিনজোৰা কাৰ্যসূচীৰে আজি বাক্সা জিলাৰ বৰমাত উপস্থিত থাকে বিটিআৰ প্ৰধান প্ৰমোদ বড়ো। তেওঁ বৰমাৰ কদমতলত থকা শীততাপ নিয়ন্ত্ৰিত কক্ষ পৰিদৰ্শন কৰে। ইয়াৰ পিছতে বৰমাৰ দলবাৰীত আৰ্টিকেল ২৭৫ এক্টৰ অধীনত ককলাবাৰী ভিচিডিচিৰ অন্তৰ্গত দলবাৰীত এটা গুৰুত্বপূৰ্ণ পকীপথৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানটোত প্ৰমোদ বড়োক সহযোগ কৰে বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, বৰমা সমষ্টিৰ বিধায়ক ভূপেন বড়ো, কোকৰাঝাৰ সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে। অনুষ্ঠানত স্থানীয় বহু লোক উপস্থিত থাকে। ইয়াৰ পিছতে দলবাৰীস্থিত একলব্য আদৰ্শ আৱাসিক বিদ্যালয়ত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানত উপস্থিত থাকে বিটিআৰ প্ৰধান প্ৰমোড বড়ো। এই অনুষ্ঠানতে Bodoland Pig Missionৰ অধীনত কেইবাটাও সমবায় সমিতিৰ মাজত ট্ৰেক্টৰ আৰু আন আন সঁজুলি বিতৰণ কৰা হয়। ইয়াৰ পিছতে তেওঁ দলবাৰীৰ খেতিপথাৰ পৰিদৰ্শন কৰি সমূহীয়া আলুৰ বিজ ৰোপণ কাৰ্যসূচীত অংশ লয়। উক্ত অনুষ্ঠানটোত তেওঁক সহযোগ কৰে বিটিআৰ অধ্যক্ষ কাতিৰাম বড়োৰ লগতে জিলা কৃষি বিষয়াৰ দলে।

## আমছুৰ জনজাগৰণ সভাত ৰেজাউল কৰিম সৰকাৰ

**ই-সংবাদ, লাহৰীঘাট, ২৭ নৱেম্বৰঃ** সদৌ অসম সংখ্যালঘু ছাত্ৰ ইউনিয়ন চমুকৈ আমছুৰ নৱগঠিত মৰিগাঁও জিলা সমিতিৰ শপত গ্ৰহণ অনুষ্ঠানটি যোৱা ২৩ নৱেম্বৰত অনুষ্ঠিত হৈ যায়। আমছুৰ নৱগঠিত মৰিগাঁও জিলা সমিতিৰ শপত গ্ৰহণ অনুষ্ঠানৰ লগত সংগতি ৰাখি লাহৰীঘাট দাৰুল উলুম ইছলামীয়া মাদ্ৰাছাৰ প্ৰাংগণত এক বিশাল জনজাগৰণ সভা অনুষ্ঠিত হয়। আমছুৰ মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি আখতাৰ হুছেইনৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা জনজাগৰণ সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে আমছুৰ প্ৰাক্তন কেন্দ্ৰীয় সমিতিৰ সদস্য মাহমাদুল নবী আৰু আদৰণি পৰ্বৰ আঁত ধৰে জিলা সমিতিৰ উপ-সভাপতি ছাদ্দাম হুছেইন আৰু সহঃ সাধাৰণ সম্পাদক আজাৰুল ইছলামে। জনজাগৰণ সভাত উপস্থিত থাকে আমছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰেজাউল কৰিম সৰকাৰ, উপ-সভাপতি মোশ্বাৰফ হুছেইন কবিৰ, সাধাৰণ সম্পাদক মিন্নাতুল ইছলাম, সহঃ সাধাৰণ সম্পাদকদ্বয় দিলোৱাৰ হুছেইন,আব্দুল ৰহিম, প্ৰচাৰ সম্পাদক ইক্ৰামুল হুছেইনৰ লগতে কেন্দ্ৰীয় সমিতি আৰু জিলা সমিতিৰ প্ৰাক্তন বহু বিষয়ববীয়া। আমছুৰ নৱগঠিত মৰিগাঁও জিলা সমিতিৰ সভাপতি অধিবক্তা হাৰুন অল ৰশ্বিদ, সাধাৰণ সম্পাদকদ্বয় ৰফিকুল ইছলাম, মিনাৰুল হকৰ লগতে ৪১ জনীয়া কমিটিক শপত বাক্য পাঠ কৰায় আমছু সাধাৰণ সম্পাদক মিন্নাতুল ইছলামে। শপত গ্ৰহণ আৰু জনজাগৰণ সভাত উপস্থিত থাকি আমছুৰ সভাপতি ৰেজাউল কৰিম সৰকাৰে বক্তব্যত উল্লেখ্য কৰে যে বৰ্তমান চৰকাৰে সংখ্যালঘু জনসাধাৰণক প্ৰতাৰণা কৰি আহিছে। ধৰ্মীয় মেৰুকৰণেৰে জনসাধাৰণক বিভাজন কৰিছে চৰকাৰে। হিমন্ত বিশ্ব শৰ্মাৰ চৰকাৰে কেৱল সংখ্যালঘু অধ্যুষিত অঞ্চলসমূহত উচ্ছেদত চলাই গৰাখহনীয়া গ্ৰস্থ হৈ সৰ্বস্বান্ত হোৱা জনসাধাৰণৰ ওপৰত অমানৱীয় কাম কৰা বুলি উল্লেখ কৰি আমছুৰ সভাপতিগৰাকীয়ে কয় যে সংখ্যালঘু জনসাধাৰণে হিমন্ত বিশ্ব শৰ্মা চৰকাৰক ইয়াৰ প্ৰতিত্তুৰ দিব লাগিব কাজগ-কলমেৰে। সংখ্যালঘু জনসাধাৰণে নিজ সন্তানক কাগজ-কলমৰ যুদ্ধত জয়ী কৰাই উচ্চ শিক্ষাৰে শিক্ষিত কৰি সংখ্যালঘু বিৰোধী চৰকাৰক উচিত জবাব দিব লাগিব। লগতে কয় যে, শিক্ষা অবিহনে কোনো জাতিয়ে আগবাঢ়ি যাব নোৱাৰে, সেয়ে তেওঁ সকলোকে নিজৰ সন্তানক শিক্ষাৰে শিক্ষিত কৰিবলৈ আহ্বান জনায়। লগতে আমছুৰ উপ-সভাপতি মোশ্বাৰফ হুছেইন কবিৰেও জনসাধাৰণক উদ্দেশ্যে ভাষণত কয় যে আমাৰ সংখ্যালঘু সমাজৰ পৰা মদ, ভাং, জুৱাৰ লগতে সমাজ ধ্বংসকাৰী ড্ৰাগছৰ বিৰুদ্ধে প্ৰতিগৰাকী ব্যক্তিয়ে হাত উজান দিব লাগিব। অন্যথা সমাজ ধ্বংস হৈ যাব। উল্লেখ্য যে, উক্ত জনজাগৰণ সভাত আমছুৰ মৰিগাঁও জিলা তৰফৰ পৰা আমছুৰ প্ৰাক্তন কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়া আৰু মৰিগাঁও জিলা সমিতিৰ প্ৰাক্তন সভাপতি, সাধাৰণ সম্পাদকসকলক ফুলাম গামোচা আৰু মানপত্ৰৰে বিশেষ সম্বৰ্ধনা জনোৱা হয়।

## এনাৰজেটিক ডেঃ ছ'চাইটীৰ বিনামূলীয়া চকু চিকিৎসা শিৱিৰ

**ই-সংবাদ, লাহৰীঘাট, ২৭ নৱেম্বৰঃ** মঙলবাৰে দিনাৰ ১১ বজাৰ পৰা বিয়লি ৪ বজালৈকে নগাঁও চহৰৰ ইছলামপট্টীস্থিত নগাঁও মেডিক'জত বিনামূলীয়া চকু পৰীক্ষা শিবিৰৰ আয়োজন কৰা হয়। উক্ত শিবিৰত উপস্থিত থাকে ডাঃ বিডিচা খনিকৰ আৰু সহকাৰী ব্যৱস্থাপক হিচাপে উপস্থিত থাকে মোস্তাক আলী। বিনামূলীয়া শিৱিৰ স্থাপন কৰাৰ দিশত ছ'চাইটীৰ সভাপতি মতিউৰ ৰহমানে সম্পূৰ্ণ উদ্যোগ লয়। চকুৰ চিকিৎসাৰ বাবে অহা প্ৰতিজন ব্যক্তিৰ যাতে কোনো অসুবিধা নহয়, নিয়াৰিকৈ পৰিচালনা হয় এনে ক্ষেত্ৰত ছ'চাইটীৰ বিষয়ববীয়াসকলে সহযোগিতা আগবঢ়ায়। চকুৰ বেমাৰত আক্ৰান্ত হোৱা অৰ্ধশতাধিক লোকে এই সেৱা লাভ কৰে। নতুনকৈ গঢ় লৈ উঠা ছ'চাইটীয়ে এনে পদক্ষেপ গ্ৰহণ কৰাৰ বাবে ছ'চাইটীৰ ভূয়সী প্ৰশংসা কৰে।

# নগাঁও জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত বাল্যবিবাহ মুক্ত ভাৰত অভিযানৰ শুভাৰম্ভ

**ই-সংবাদ, পুৰণিগুদাম, ২৭ নৱেম্বৰঃ** নগাঁৱৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত আজি ক'চি লোক মঞ্চ (Kosi Lok Manch)ৰ উদ্যোগত নগাঁও জিলা প্ৰশাসন আৰু জিলা শিশু সুৰক্ষা গোটৰ সহযোগত আৰু অসম ৰাজ্যিক শিশু সুৰক্ষা অধিকাৰ আয়োগৰ সৌজন্যত বাল্যবিবাহ মুক্ত ভাৰত অভিযানৰ শুভাৰম্ভণি অনুষ্ঠানটো অনুষ্ঠিত হৈ যায়। অনুষ্ঠানটিৰ উদ্দেশ্য বাখ্যা কৰে জিলা শিশু সুৰক্ষা বিষয়া শতাব্দী গোস্বামীয়ে। আজিৰ এই অনুষ্ঠানত উপস্থিত থাকি জিলা আইন সেৱা প্ৰাধিকৰণৰ সচিব মুনমী নেওগে বাল্যবিবাহ প্ৰতিৰোধ আইন-২০০৬, Juvenile Justice Act-2015 আৰু POSCO আইনৰ সন্দৰ্ভত বিস্তৃত বাখ্যা আগবঢ়ায়। অতিৰিক্ত আয়ুক্ত (সমাজকল্যাণ) কাকুমণি শইকীয়াই সভাত উপস্থিত থাকি ভাষণত কয় যে বাল্যবিবাহ হৈছে সমাজৰ এক সামাজিক ব্যাধি। সমাজৰ পৰা এই ব্যাধি নিৰ্মূল কৰিবলৈ হ'লে, আমি সকলো সজাগ, সচেতন আৰু একগোট হৈ ইয়াৰ বিৰুদ্ধে যুঁজ দিব লাগিব। তেওঁ ভাষণ প্ৰসংগত উল্লেখ কৰে যে অসমৰ মুখ্যমন্ত্ৰীয়ে ২০২৬ চনৰ ভিতৰত অসমত বাল্যবিবাহ সম্পূৰ্ণ নিৰ্মূল কৰাৰ যি সংকল্প লৈছে, এইক্ষেত্ৰত মহিলা আৰু শিশু বিকাশ, শিক্ষা, আৰক্ষী, শ্ৰম, স্বাস্থ্য বিভাগ আৰু পঞ্চায়তৰ বাল্যবিবাহ প্ৰতিৰোধ বিষয়া সকলোকে একেলগ হৈ দৃঢ়তাৰে কাম কৰিবলৈ আহ্বান জনোৱাৰ লগতে নগাঁও জিলাখনত বাল্যবিবাহ মুক্ত জিলা হিচাপে গঢ়ি তুলিবলৈ সকলোৰে সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰে। এই সভাতে তেওঁ উপস্থিত সকলোকে বাল্যবিবাহৰ প্ৰতিৰোধৰ সংকল্প বাক্য পাঠ কৰোৱায়। জিলা শিশু সুৰক্ষা গোটৰ বিষয়া পল্লৱী শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত শলাগৰ শৰাই আগবঢ়ায় কচি লোক মঞ্চৰ জিলা সমন্বয়ক ধীৰুকল্পা শইকীয়াই। আজিৰ এই সভাতেই এগৰাকী ছাত্ৰীক বাল্যবিবাহৰ কৰাল গ্ৰাসৰ পৰা উদ্ধাৰৰ ক্ষেত্ৰত কঠোৰ স্থিতি গ্ৰহণ কৰি সফলতা লাভ কৰাৰ বাবে শ্বহীদ চন্দন সিং উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী শিখা মালা বৰাক এখনি প্ৰশংসা পত্ৰৰে সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই অনুষ্ঠানত জিলা বিদ্যালয়সমূহৰ পৰিদৰ্শক মৃদুল কুমাৰ নাথ, উপ-আৰক্ষী অধীক্ষক নিত্যা সোণোৱাল, মহকুমা চিকিৎসা বিষয়া ডাঃ বিশ্বৰূপ গোঁহাই, জিলা শিশু সুৰক্ষা সমিতিৰ অধ্যক্ষা অঞ্জু মণি শৰ্মা, জিলা তথ্য আৰু জনসংযোগ বিষয়া মন্দিৰা চায়ৈঙীয়া দলেকে প্ৰমুখ্য কৰি জিলাখনৰ বিভিন্ন শিক্ষানুষ্ঠানৰ অধ্যক্ষ, প্ৰধান শিক্ষক, শিক্ষক-শিক্ষয়ত্ৰীসকল, পঞ্চায়ত সচিব আৰু বাল্যবিবাহ প্ৰতিৰোধ বিষয়াসকল, অংগনবাড়ী, আশা, জিলা শিশু সুৰক্ষা গোটৰ বিষয়ববীয়াৰ লগতে কচি লোক মঞ্চৰ বিষয়ববীয়াসকল উপস্থিত থাকে।

# স্বৰ্ণ শাখা উপৰহালী প্ৰগতি সাহিত্য সভাৰ গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা সম্পন্ন

**ই-সংবাদ, মিৰ্জা, ২৭ নৱেম্বৰঃ** অসম সাহিত্য সভাৰ স্বৰ্ণ শাখা সাহিত্য সভা হিচাপে স্বীকৃত উপৰহালী প্ৰগতি সাহিত্য সভাৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা আজি উপৰহালীস্থিত হৰেন্দ্ৰনাথ তালুকদাৰ প্ৰেক্ষাগৃহৰ বাকৰিত অনুষ্ঠিত হয়। উপৰহালী প্ৰগতি সাহিত্য সভাৰ সভাপতি অশ্বিনী কুমাৰ তালুকদাৰৰ সভাপতিত্বত অনুষ্ঠিত এই সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ লগতে আঁত ধৰে সম্পাদক পৱিত্ৰ কুমাৰ দাসে। ইয়াৰ পিছতে অসম সাহিত্য সভাৰ আগন্তুক ২০২৫-২৭ বৰ্ষৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদক বাছনি তথা বেলট পত্ৰ যোগে ভোট প্ৰদানৰ প্ৰস্তাৱ গ্ৰহণ কৰা হয়। সৰ্বসন্মতিক্ৰমে সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদকৰ নাম প্ৰস্তাৱ কৰা হয়। উল্লেখ্য যে উপৰহালী প্ৰগতি সাহিত্য সভাই এইবেলি ৩০ গৰাকী নতুন আজীৱন সভ্য ভৰ্তি কৰি অসম সাহিত্য সভাৰ শতদল শাখালৈ উন্নীত কৰিবলৈ সক্ষম হৈছে। এই নতুন ৩০ গৰাকী আজীৱন সভ্যৰ প্ৰমাণ পত্ৰ বিতৰণৰ উদ্দেশ্যে অহা ৮ ডিচেম্বৰত এখন বিশেষ সভা আহ্বান কৰাৰ বাবে আজিৰ সভাই সিদ্ধান্ত গ্ৰহণ কৰে। সেইদৰে উপৰহালী প্ৰগতি সাহিত্য সভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা তথা দ্বি-বাৰ্ষিক অধিৱেশন অনুষ্ঠিত কৰিবলৈও সভাই সিদ্ধান্ত লয়। অহা ২৯ ডিচেম্বৰত সভাৰ দ্বি-বাৰ্ষিক সাধাৰণ সভা তথা নতুন সমিতি গঠন কাৰ্যসূচী অনুষ্ঠিত হ'ব বুলি প্ৰস্তাৱ গ্ৰহণ কৰে। লগতে দ্বি-বাৰ্ষিক অধিৱেশনখনি ২০২৫ চনৰ ফেব্ৰুৱাৰী মাহৰ ৮ বা ১০ ফেব্ৰুৱাৰীত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিবলৈ কাৰ্যনিৰ্বাহক সভাই সিদ্ধান্ত গ্ৰহণ কৰে। আজিৰ সভাত উপৰহালী প্ৰগতি সাহিত্য সভাৰ স্থায়ী ভৱন নিৰ্মাণৰ বাবে ৰাজ্য সভাৰ সাংসদ ভুৱনেশ্বৰ কলিতাই অনুদান দিয়াৰ যি প্ৰতিশ্ৰুতি দিছিল, সেই সন্দৰ্ভত পদক্ষেপ ল'বলৈ সভাই সভাপতি আৰু সম্পাদকক কৰ্তৃত্ব প্ৰদান কৰি আগবাঢ়িবলৈ পৰামৰ্শ দিয়ে বুলি সম্পাদক পৱিত্ৰ কুমাৰ দাসে জানিবলৈ দিয়ে।

# সদৌ অসম দেৱ দামোদৰ সংঘৰ অধিৱেশনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, বাইহাটা চাৰিআলি, ২৭ নৱেম্বৰঃ** সদৌ অসম দেৱ দামোদৰ সংঘৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। উল্লেখ্য যে সদৌ অসম দেৱ দামোদৰ সংঘৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন অহা ৭, ৮ আৰু ৯ ফেব্ৰুৱাৰীত বৰ্ণাঢ্য কাৰ্যসূচীৰে পুঠিমাৰীত অনুষ্ঠিত হ'ব। এই উপলক্ষে কমলপুৰ সমষ্টিৰ পুঠিমাৰীৰ বাৰোৱাৰী পূজা সমিতিৰ খেলপথাৰত অধিৱেশনৰ লাইখুঁটা স্থাপন কৰে সদৌ অসম দেৱ দামোদৰ সংঘৰ সভাপতি অভয় বৰ্মনে। বৃহত্তৰ অঞ্চলটোৰ কেবাশতাধিক ভক্তপ্ৰাণ লোকে নাম-কীৰ্তন, ধৰ্মীয় শোভাযাত্ৰাৰে লাইখুঁটা কঢ়িয়াই আনে। ভূমিপূজন, বেদধ্বনি, আয়তীৰ নাম উৰুলিৰে লাইখুঁটা স্থাপন কৰি সকলোৱেই অধিৱেশনৰ সফলতা কামনা কৰে। লাইখুঁটা স্থাপনৰ পাছতে উপস্থিত ৰাইজ তথা আই মাতৃসকলক সম্বোধি সংঘৰ সভাপতিগৰাকীয়ে দেৱ দামোদৰ দেৱ গুৰুজনাৰ ধৰ্মীয় আদৰ্শ, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ আৰু সত্ৰ-সংস্কৃতিৰ বিষয়ে বিশদ আলোচনা আগবঢ়ায়। প্ৰণিধানযোগ্য যে অধিৱেশনখন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাক মুখ্য সভাপতি, কমলাকান্ত কলিতাক কাৰ্যকৰী সভাপতি, উমেশ চৌধুৰীক মুখ্য সম্পাদক হিচাপে লৈ এখন শক্তিশালী আদৰণি সমিতি গঠন কৰা হৈছে। অধিৱেশনৰ লগত সংগতি ৰাখি দামোদৰ দৰ্পণ নামেৰে এখন আলোচনীও প্ৰকাশৰ দিহা কৰা হৈছে বুলি সংঘৰ সম্পাদক ৰাম নাৰায়ণ গোস্বামীয়ে সংবাদ মাধ্যমৰ আগত সদৰি কৰে।

# মৰিগাঁও জিলা আয়ুক্তৰ সভাকক্ষত শিশু সুৰক্ষা সজাগতা অভিযান আৰু সম্বৰ্ধনা অনুষ্ঠান

**ই-সংবাদ, লাহৰীঘাট, ২৭ নৱেম্বৰঃ** আজি মৰিগাঁও জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ নেতৃত্বত জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ উদ্যোগত জিলা আয়ুক্তৰ সভাকক্ষত শিশু সুৰক্ষাৰ মূল বিষয়সমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ উদ্দেশ্যে এখনি গুৰুত্বপূৰ্ণ বৈঠকৰ আয়োজন কৰা হয়। আজিৰ এই সভাত শিশু সুৰক্ষা, বাল্য বিবাহ প্ৰতিৰোধ আৰু যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা আইনৰ ফলপ্ৰসূ ৰূপায়ণ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়। সংশ্লিষ্ট বিভাগসমূহৰ প্ৰতিনিধিসকলে জিলাখনৰ শিশুসকলৰ সুৰক্ষা আৰু মংগল সুনিশ্চিত কৰাৰ বাবে সমন্বিত প্ৰচেষ্টাৰ বিষয়ে মন্তব্য আগবঢ়ায়। আজিৰ এই সভাৰ লগত সংগতি ৰাখি জিলা আয়ুক্তগৰাকীয়ে বাল্য বিবাহ আৰু যৌন অপৰাধৰ পৰা শিশু সুৰক্ষা আইন মু সম্পৰ্কে ম'বাইল ভান সজাগতা অভিযানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানৰ এক প্ৰেৰণাদায়ক মুহূৰ্তত মৰিগাঁৱৰ শিশু যত্ন প্ৰতিষ্ঠানৰ বাসিন্দা ৰছিদুল ইছলামক হাইস্কুল শিক্ষান্ত পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ হোৱাৰ বাবে সম্বৰ্ধনা জনোৱা হয়। আজিৰ এই সভাত আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাস, অতিৰিক্ত জিলা আয়ুক্ত সুলক্ষনা বৰগোহাঁই আৰু বিভিন্ন বিভাগৰ প্ৰতিনিধিসকল উপস্থিত থাকে।

# নগাঁৱত মহিলাৰ বিৰুদ্ধে লিংগভিত্তিক হিংসা ৰোধ কৰিবলৈ সক্ৰিয়তাবাদ কাৰ্যসূচী

**ই-সংবাদ, পুৰণিগুদাম, ২৭ নৱেম্বৰঃ** সমগ্ৰ ভাৰতবৰ্ষতে যোৱা ২৫ নৱেম্বৰৰ পৰা মহিলা আৰু শিশু বিকাশ বিভাগে উদযাপন কৰি আছে মহিলাৰ বিৰুদ্ধে হোৱা লিংগভিত্তিক হিংসা আৰু নিৰ্যাতনৰ অন্ত পেলাবলৈ ১৬ দিনীয়া সক্ৰিয়তাবাদৰ কাৰ্যসূচী। ইয়াৰ লগত সংগতি ৰাখি নগাঁও জিলা মহিলা আৰু শিশু বিকাশ বিভাগৰ অধীনস্থ সংকল্প- মহিলা সৱলীকৰণ কেন্দ্ৰই জিলা আইন সেৱা প্ৰাধিকৰণ, নগাঁৱৰ সহযোগত আৰু জিলা প্ৰশাসনৰ সৌজন্যত একক অৱস্থান কেন্দ্ৰ আৰু শক্তি সদনৰ বিষয়া-কৰ্মচাৰীৰ বাবে ঘৰুৱা হিংসা আইন- ২০০৫, যৌন অপৰাধৰ পৰা শিশুক সুৰক্ষা প্ৰদান আইন, ২০১২ আৰু বাল্য বিবাহ নিষেধ আইন, ২০০৬ ৰ এটি প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত কৰে। উক্ত প্ৰশিক্ষণ কাৰ্যসূচীত উপস্থিত থাকে নগাঁও জিলা আইন সেৱা প্ৰাধিকৰণৰ জেচমিন বেগম, নগাঁও জিলা সমাজ কল্যাণ বিষয়া ভোলানাথ পেগু, অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনৰ জিলা কাৰ্যকৰী বিশেষজ্ঞ প্ৰাঞ্জল দলে আৰু ব্লক কাৰ্যক্ৰম প্ৰবন্ধক দীপমণি বৰা। প্ৰশিক্ষণ কাৰ্যসূচীটোৰ উদ্দেশ্য বাখ্যা কৰে মহিলা সৱলীকৰণ কেন্দ্ৰৰ জিলা কাৰ্যক্ৰম সমন্বয়ক তথা জিলা মিছন সমন্বয়ক কুইন বৰাই। ভাষণ প্ৰসংগত তেওঁ কয় যে নাৰী তথা মহিলাসকলে বিভিন্ন সময়ত কিদৰে যন্ত্ৰণাৰে ভৰা এক দুৰ্বিসহ জীৱন কটাবলগীয়া হয় সেয়া সকলো লোকৰে জ্ঞাত। নাৰী সবলীকৰণৰ কথা যিমানে কোৱা নহওক কিয়, এচাম পুৰুষে মাথোন শাৰীৰিক শক্তিৰ বলতে নাৰী শক্তিক দমন বা উপেক্ষা কৰি থকাটো নুই কৰিব নোৱাৰি। মহিলাসকলে ঘৰৰ ভিতৰতেই হওক বা কৰ্মক্ষেত্ৰলৈ ওলাই যাওঁতেই হওক সদায় নিৰ্যাতিত, নিষ্পেষিত হৈ আহিছে। প্ৰতিদিনেই সকলোৱে বাতৰি কাকত, টেলিভিছন, ৰেডিঅ'ৰ বাতৰিত এনে নিৰ্যাতনৰ ঘটনা দেখিবলৈ বা শুনিবলৈ পায়। লগতে তেওঁ কয় যে সেয়ে আমাৰ মহিলা আৰু শিশু বিকাশ বিভাগে নৱেম্বৰ মাহৰ ২৫ তাৰিখৰ পৰা ডিচেম্বৰ মাহৰ ১০ তাৰিখলৈ মহিলাসকলৰ ওপৰত হোৱা লিংগভিত্তিক হিংসাৰ অন্ত পেলাবলৈ জিলা, ব্লক আৰু গাঁও পঞ্চায়ত পৰ্যায়ত বিভিন্ন ধৰণৰ সজাগতা সভা, বাটৰ নাট, আলোচনা চক্ৰ আদি কাৰ্যসূচীৰ আয়োজন কৰিছে। ইয়াৰ পিছতে জিলা আইন সেৱা প্ৰাধিকৰণৰ পৰা জেচমিন বেগমে সহজ ভাষাৰে মহিলাৰ লগত জড়িত ইতিমধ্যে ওপৰত উল্লিখিত আইনসমূহ সুন্দৰকৈ সাৱলীল ভাষাৰে বিশ্লেষণ কৰে। ইয়াৰ পিছতে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা মিছনৰ পৰা অহা বিষয়াদ্বয়ে বিভিন্ন ঠাইত হোৱা তেওঁলোকৰ অভিজ্ঞতাসমূহৰ বিষয়ে সদৰী কৰাৰ লগতে নাৰী সুৰক্ষা কোষৰ লগত এক হৈ কাম কৰাৰ পোষকতা কৰে।

# ডিব্ৰুগড়ত 'নদী' শীৰ্ষক চুটিছবিৰ প্ৰিমিয়াৰ শ্ব'

**ই-সংবাদ, ডিব্ৰুগড়, ২৭ নৱেম্বৰঃ** দুখন গাঁৱৰ মাজত এখন বোৱতী নদী! তাৰ মাজতে নদীৰ বিভীষিকা! কাৰোবাৰ জীৱনলৈ নামি অহা কাল ধুমুহাক লৈ উদীয়মান সাংস্কৃতিক কৰ্মী ৰাতুল গগৈৰ দ্বাৰা ৰচিত সুন্দৰ কাহিনীৰ জৰিয়তে নিৰ্মাণ কৰা চুটি ছবি 'নদী'ৰ প্ৰিমিয়াৰ শ্ব' ডিব্ৰুগড় সাহিত্য সভা ভৱনত অনুষ্ঠিত হয়। ৰাতুল গগৈ আৰু সৌৰভ জ্যোতি দাসৰ পৰিচালনাত নিৰ্মাণ সম্পন্ন হোৱা 'নদী' নামৰ চুটি ছবিখনৰ প্ৰিমিয়াৰ শ্ব'ত উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰে জ্যেষ্ঠ সাংবাদিক তথা ডিব্ৰুগড় সাহিত্য সভাৰ উপ-সভাপতি, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উপ-সভাপতি জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰা। সাংবাদিক দুৱৰাই বন্তি প্ৰজ্বলন কৰি কয় যে ইতিহাসৰ বুকুত যিমান সভ্যতা সংস্কৃতি গঢ় লৈ উঠিছে, সকলো নদীক কেন্দ্ৰ কৰি গঢ় লৈ উঠিছে। নদী অবিহনে জাতি জীয়াই থাকিব নোৱাৰে। এটা জাতিৰ সভ্যতা-সংস্কৃতিৰ উত্তৰণৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে নদীয়ে। 'নদী' নামৰ চুটি ছবিখনৰ প্ৰিমিয়াৰ শ্ব' মুকলি কৰি তেওঁ লগতে কয় যে এই 'নদী' নামৰ ছবিখনে ভাষা, কৃষ্টি, সংস্কৃতিক প্ৰতিনিধিত্ব কৰিব। নদীৰ সৈতে জড়িত সকলো কলা-কুশলীক তেওঁ অভিনন্দন জনাই কয় যে তেওঁলোকৰ এই প্ৰচেষ্টা নদীৰ দৰে নিৰবধি বৈ গৈ সাগৰত পৰকগৈ। অনুষ্ঠানত উপস্থিত থাকি ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক তথা বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল গোহাঁয়ে কয় যে নদী এটা জাতিৰ বাবে অভিশাপ হ'ব পাৰে, কিন্তু আশীৰ্বাদো হ'ব পাৰে। এই নদীয়ে এটা জাতিৰ সভ্যতা-সংস্কৃতিক আগুৱাই নিয়ে, এখন নদীয়ে নিমিষতে এখন ঘৰ ভাঙি চুৰমাৰ কৰি নদীৰ বুকুত সপোন ভাঙি দিব পাৰে, বিভীষিকাময় পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। আনহাতে, এখন নদীক কেন্দ্ৰ কৰিয়েই বহুতৰ বাবে আত্মসংস্থাপনৰ পথও হ'ব পাৰে বুলি ভাষণ প্ৰসংগত উল্লেখ কৰি 'নদী' নামৰ চুটি ছবিখনে সকলো শ্ৰেণীৰ জনসাধাৰণৰ মন জয় কৰিবলৈ সক্ষম হ'ব বুলি আশা প্ৰকাশ কৰে। শেহতীয়াকৈ বহু সাংস্কৃতিক কৰ্মীয়ে চুটি ছবি নিৰ্মাণৰ জৰিয়তে অসমৰ ভাষা, কৃষ্টি-সংস্কৃতিক আগুৱাই নিয়াৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা বুলি কৈ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ বিভিন্ন চুটি ছবি প্ৰতিযোগিতাত সুনাম কঢ়িয়াবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰে

# দুধৰ্ষ ইমান আলীক কেৰালাৰ পৰা গ্ৰেপ্তাৰ

## ধৰমতুলৰ ট্ৰাক অপহৰণৰ মাষ্টাৰ মাইণ্ড পৰিল আৰক্ষীৰ জালত

**ই-সংবাদ, মৰিগাঁও, ২৭ নৱেম্বৰঃ** মৰিগাঁও জিলাৰ ধৰমতুলতৰ ৰাষ্ট্ৰীয় ঘাইপথত প্ৰায় দুই কোটি টকাৰ সামগ্ৰীসহ এখন ট্ৰাক অপহৰণ কৰি ৰাজ্যজুৰি আতংকৰ সৃষ্টি কৰা ঘটনাৰ মূল পৰিকল্পনাকাৰী ইমান আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে আৰক্ষী। ঘটনাৰ প্ৰায় এমাহ উকলি যোৱাৰ পিছত কালি নিশা মৰিগাঁও আৰক্ষীয়ে কেৰেলা আৰক্ষীৰ সহযোগত কেৰেলাৰ পৰা ইমান আলীক গ্ৰেপ্তাৰ কৰে।ধৃত আলীৰ ঘৰ মৰিগাঁও জিলাৰ নাৰমাৰীত বুলি জানিব পৰা গৈছে। উল্লেখ্য যে,বিগত ২৬ অক্টোবৰৰ নিশা জিলাখনৰ ধৰমতুল আৰক্ষী থানাৰ অন্তৰ্গত ৰাষ্ট্ৰীয় ঘাইপথৰ পৰাই এটি দুবৃত্তৰ দলে গুৱাহাটীৰ পৰা শিলচৰ অভিমুখে গৈ থকা অৱস্থাত প্ৰায় দুই কোটি টকাৰ সামগ্ৰী সহ এখন ট্ৰাক আপহৰণ কৰি লৈ যায়। ঘটনাৰ খবৰ পাই মৰিগাঁও জিলা আৰক্ষীয়ে তীব্ৰ অভিযান চলাই জিলাখনৰ মিকিৰভেটো অঞ্চলৰ পৰা ট্ৰাকখন উদ্ধাৰ কৰাৰ লগতে মৈৰাবাৰীৰ বৰথল কছাৰীগাঁৱৰ মন্নাছ আলীৰ ঘৰৰ পৰা ট্ৰাকখনত কঢ়িয়াই অনা লেপটপ, চিচি টিভিৰ কেমেৰাকে ধৰি ইলেক্ট্ৰনিক আৰু অন্যান্য সামগ্ৰীসমূহ উদ্ধাৰ কৰে।এই ঘটনা সন্দৰ্ভত পৰৱৰ্তী সময়ত আৰক্ষীয়ে কেইবাজনো লোকক আটক কৰাৰ অন্তত যোৱা নিশা কেৰেলাৰ পৰা ঘটনাটোৰ মূল পৰিকল্পনাকাৰী ইমান আলীক গ্ৰেপ্তাৰ কৰে।



উইকেট দখলৰ পিছত শ্ৰীলংকাৰ লাহিৰু




নিউজিলেণ্ড আৰু ইংলেণ্ডৰ মাজত আৰম্ভ হোৱা প্ৰথম টেষ্টৰ পূৰ্বে দুই দলৰ অধিনায়ক, ক্ৰাইষ্টচাৰ্চত

## নগাঁৱত ৭৬ সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল

# মৰিগাঁৱৰ ইণ্টাৰ নৰ্থইষ্ট এফচিৰ অগ্ৰগতি লাভ

**ই-সংবাদ ক্ৰীড়া সেৱা নগাঁও, ২৭ নৱেম্বৰঃ** নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত চলি থকা ৭৬ সংখ্যক সৰ্বভাৰতীয় স্বাধীনতা দিৱস কাপ প্ৰাইজমানি ফুটবল প্ৰতিযোগিতাত মৰিগাঁৱৰ ইণ্টাৰ নৰ্থ ইষ্ট এফ চিয়ে অগ্ৰগতি লাভ কৰিছে। নগাঁও ক্ৰীড়া সংস্থাৰ উদ্যোগত আয়োজিত আমন্ত্ৰণমূলক ঐতিহ্যমণ্ডিত এই প্ৰতিযোগিতাৰ আজিৰ খেলত ইণ্টাৰ নৰ্থ ইষ্ট এফ চিয়ে ডিফুৰ কাছা ইলেভেনক ২-১ গ'লত পৰাজিত কৰে। তুমুল প্ৰতিদ্বন্দ্বিতামূলক খেলখনৰ ২মিনিটতে ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰহৈ সুৰজে গ'ল দি বিৰতিলৈ নিজ দলক ১-০ গ'লত আগবঢ়াই নিয়াৰ পিছত ৭৪ মিনিটত ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰহৈ খেলজিৎে আন এটা গ'ল স্ক'ৰৰে খেলৰ ব্যৱধান ২-০ গ'ললৈ বৃদ্ধি কৰিছিল যদিও ৭৯ মিনিটত কাছা ইলেভেনৰ হৈ বিনং ইংলেঙে গ'ল এটা দি ব্যৱধান ১-২ গ'ললৈ হ্ৰাস কৰে। আজিৰ খেলখনত ইণ্টাৰ নৰ্থ ইষ্ট এফ চিৰ গ'লৰক্ষক ৰোহিত ডেকাই দৃষ্টিনন্দন প্ৰদৰ্শনৰে নগঞা ক্ৰীড়াপ্ৰেমীক মুগ্ধ কৰে। প্ৰাক্তন ৰাষ্ট্ৰীয় ৰেফাৰী নাচিৰউদ্দিন আহমেদ মেচ কমিচনাৰৰূপে থকা খেলখন পৰিচালনা কৰাত ৰেফাৰী আব্দুল মজিদ চৌধুৰীক সহায় কৰে নিৰ্মল ভট্টাচাৰ্য, চাহজাহান আলি চৌধুৰী আৰু পবিত্ৰ বৰা (চতুৰ্থ) ই। নগাঁও ক্ৰীড়া সংস্থাৰ সাধাৰণ সম্পাদক তপন কুমাৰ দাস আৰু অন্যতম যুটীয়া সম্পাদক উজ্জল বৰুৱাই জনোৱামতে, কাইলৈৰ খেলত নগাঁৱৰ অম্লান গোষ্ঠীয়ে কোকৰাঝাৰৰ গ্ল'বেল এফ চিৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

# বড়ো শ্বহীদ কাপ ফুটবলৰ ছেমি ফাইনেলত কটহগুৰি এফচি

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ২৬ নৱেম্বৰঃ** নগাঁৱৰ ৰহাৰ কটহগুৰি এফ চিয়ে কাৰ্বি আংলং জিলাৰ লাংহিনৰ গৰৈমাৰী খেলপথাৰত বড়ো শ্বহীদ ন্যাসৰ উদ্যোগত আৰু লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ ব্যৱস্থাপনাত চলি থকা ২৭ সংখ্যক বড়ো শ্বহীদ কাপ ফুটবল প্ৰতিযোগিতাৰ ছেমিফাইনেলত স্থান সুৰক্ষিত কৰিছে। সদৌ অসম ভিত্তিত আয়োজিত আমন্ত্ৰণমূলক এই প্ৰতিযোগিতাৰ আজিৰ কোৱাৰ্টাৰ ফাইনেলত কটহগুৰি এফ চিয়ে চমকপ্ৰদ প্ৰদৰ্শনৰে লাংহিনৰ গৰৈমাৰী ইউনাইটেড ক্লাব ( জি ইউ চি ) ক ৩-০ গ'লত পৰাজিত কৰে। খেলখনৰ ৩৫ মিনিটত কটহগুৰি এফ চিৰহৈ নীলকান্তই আৰু ৪০ মিনিটত নাৱাজে গ'ল দি বিৰতিলৈ নিজ দলক ২-০ গ'লত আগবঢ়াই নিয়াৰ পিছত ৭৪ মিনিটত ইমৰাণে আন এটা গ'ল স্ক'ৰৰে কটহগুৰি এফ চিৰ ৩-০ গ'লত বিজয় নিশ্চিত কৰে। ক্ৰীড়া সংগঠক নাৰায়ণ বসুমতাৰী মেচ কমিচনাৰৰূপে থকা আজিৰ খেলখন পৰিচালনা কৰাত ৰেফাৰী প্ৰেম নাৰ্জাৰীক সহায় কৰে নিজম তামুলাৰী, অমন বৰদলৈ আৰু ধনেশ শ্বাহে (চতুৰ্থ)। লাংহিন তিনিআলি ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক টংকেশ্বৰ খাখলাৰী আৰু বড়ো শ্বহীদ ন্যাসৰ সম্পাদক কিৰণ বসুমতাৰীয়ে জনোৱামতে, কাইলৈৰ খেলত হোজাইৰ ঠাবাল এফ চিয়ে পশ্চিম কাৰ্বি আংলঙৰ ডংকাম'কাম ক্ৰীড়া সন্থাৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)

কাৰ্যবাহী সম্পাদক
ধ্ৰুৱজ্যোতি ধনন্তৰি